কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।
— সম্পাদক

গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ২ অক্টোবৰ ২০২৬/১৪ আহিন ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ২৫ ● Vol - 15, Issue - 25


# দুই-আঢ়ৈ লাখ ভোটৰ ব্যৱধানত জিকিব বিজেপি



## উন্নয়নৰ প্ৰতিশ্ৰুতিৰে ভোটাৰক আকৰ্ষণ মুখ্যমন্ত্ৰীৰ

**মৰিগাঁও ঃ** নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপি প্ৰাৰ্থী দেৱাশিষ শৰ্মাৰ হৈ মৰিগাঁৱত নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মৰিগাঁও চহৰৰ স্কুল খেলপথাৰত এখন বিশাল নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি মহিলাসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ নাচি-বাগি, ছেলফি তোলাৰ উপৰি তেওঁ প্ৰতিশ্ৰুতিৰ ধল বোৱায়। উপস্থিত মহিলা ভোটাৰসকলক আকৰ্ষণ কৰিবলৈ ভাষণত মুখ্যমন্ত্ৰীয়ে কয় - '২০২৪ চনৰ নগাঁও লোকসভাৰ নিৰ্বাচনত আমি জিকিব পৰা নাছিলো, প্ৰদ্যুৎ বৰদলৈ লোকসভাত সাংসদ হ'ল। কিন্তু বিধানসভা নিৰ্বাচনৰ আগেয়ে তেওঁ বুজি পালে যে কংগ্ৰেছত থাকিলে ৰাইজক সেৱা কৰিব নোৱাৰি, ৰাইজৰ কাম কৰিব নোৱাৰি। তেওঁ ৰিজাইন দিলে আৰু এজন নতুন সাংসদ নিৰ্বাচন কৰিবৰ বাবে আকৌ এবাৰ আমি ভোট দিম। এইবাৰ উপ-নিৰ্বাচনত আমি যেতিয়া ভোট দিম, চৰকাৰ একেই থাকিব। দিল্লীতো মোদী থাকি, দিছপুৰতো আপোনালোকৰ আশীৰ্বাদত মামাৰ চৰকাৰ চলি থাকিব। কিন্তু আপোনালোকে যদি এই উপ-নিৰ্বাচনত দেৱাশিষ শৰ্মাক জিকাই দিয়ে, আমাৰ শক্তি আৰু বাঢ়িব, অসমৰ কাৰণে আৰু বেছিকৈ কাম কৰিব পাৰিম।' ইফালে চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহ সন্দৰ্ভত তেওঁ কয় - 'মহিলাসকলৰ বাবে উন্নয়নমূলক আঁচনি গ্ৰহণ কৰি প্ৰথম পৰ্যায়ত দহ হাজাৰকৈ টকা দিয়া হৈছিল আৰু এতিয়া ২৫ হাজাৰ টকা আৰু পিছত ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। আমি আপোনালোকক ১০ হাজাৰ দিলো, ২৫ হাজাৰ দিলো কিন্তু সেইটো যথেষ্ট নহয়। আই-মাতৃসকলে বজাৰত বস্তু বিক্ৰী কৰিব পাব লাগিব আৰু সেই কাৰণে এইবাৰ আমি মৰিগাঁও সমষ্টিক মহিলাৰ বাবে বজাৰ গৃহ বনাম, য'ত কেৱল মহিলাই নিজৰ সামগ্ৰী বিক্ৰী কৰিব পাৰিব। আমাৰ অসমত আৰু এটা ডাঙৰ কাম আমি কৰিব পাৰো। আমাৰ মহিলাসকলে জানি আচৰিত হ'ব যে আজি আমাৰ অসমত প্ৰতিদিন ৩০ লাখ লিটাৰ গাখীৰ আমি বিহাৰৰ পৰা আনো। কিয়? আমাৰ অসমত যিমান গাখীৰ লাগে,

*৭ পৃষ্ঠাত*

## কৃষকৰ সমৃদ্ধি আৰু কৃষি ক্ষেত্ৰৰ বিকাশৰ বাবে মত-বিনিময় আৰু সজাগতামূলক কাৰ্যসূচীৰ গুৰুত্ব অপৰিসীম ঃ ৰঞ্জিত ভট্টাচাৰ্য




**ৰমেন ভৰালী, বংশৰ ঃ** নিৰ্বাচনী প্ৰচাৰৰ ব্যস্ততাৰ মাজতে মৰিগাঁও জিলাৰ বৰচলাত 'পোহৰ' কৃষক উৎপাদক কোম্পানী (FPC)-ৰ বাৰ্ষিক সাধাৰণ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃষক ৰাইজৰ সৈতে মত-বিনিময় কৰে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত

*৭ পৃষ্ঠাত*

## বাৰেকুৰিৰ হলৌ বান্দৰৰ ভিডিঅ' শ্বেয়াৰ মুখ্যমন্ত্ৰীৰ

**তিনিচুকীয়া ঃ** তিনিচুকীয়াৰ বাৰেকুৰিৰ হলৌ বান্দৰৰ সৈতে মানুহৰ সম্পৰ্কৰ এক হৃদয়স্পৰ্শী ভিডিঅ' মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুকত শ্বেয়াৰ কৰাৰ পিছত অঞ্চলটোত উছাহ দেখিবলৈ পোৱা গৈছে। বাৰেকুৰিৰ তৰাজান গাঁৱৰ দীপ্তি বড়া নামৰ আশাকৰ্মীগৰাকীয়ে চাৰিটা হলৌ বান্দৰক মাতি কল খুৱাই থকা দৃশ্যটো শ্বেয়াৰ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াক আমাৰ সংস্কৃতিৰ মানৱীয়তা আৰু প্ৰকৃতিৰ সৈতে আত্মীয়তাৰ প্ৰমাণ বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়েও 'মন কী বাত'ত বাৰেকুৰিবাসীক প্ৰশংসা কৰিছিল। বাৰেকুৰিৰ এই অনন্য সহাৱস্থানৰ বাবে অঞ্চলটোৱে অসম গৌৰৱ বঁটাও লাভ কৰিছে। ২১খন গাঁৱৰ বৃহত্তৰ বাৰেকুৰিত ৫টা পৰিয়ালত মুঠ ২২টা হলৌ বান্দৰ আছে। বৰ্তমান ই এক গ্ৰাম্য পৰ্যটন কেন্দ্ৰলৈ পৰিণত হৈছে, য'লৈ প্ৰতিদিনে পৰ্যটক আৰু গৱেষক আহে। গাঁওবাসীয়ে বান্দৰক পৰিয়ালৰ সদস্যৰ দৰে যত্ন লয়।



## বেজেৰাত অসম ড্ৰাগছ এণ্ড ডিষ্ট্ৰিবিউট নামেৰে এখন বৃহৎ বাণিজ্যিক প্ৰতিষ্ঠানৰ শুভ উদ্বোধন হেমন্ত চৌধুৰীৰ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ বেজেৰাত অসম ড্ৰাগছ এণ্ড ডিষ্ট্ৰিবিউট নামেৰে এখন বৃহৎ বাণিজ্যিক প্ৰতিষ্ঠানৰ যোৱা ২৮ চেপ্তেম্বৰত শুভ উদ্বোধন কৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। বেজেৰা মংগলদৈ পথত এই বৃহৎ পাইকাৰী ঔষধী প্ৰতিষ্ঠান খনিৰ মাংগলিক কাৰ্যসূচীৰে শুভকামনা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে কয় যে প্ৰতিষ্ঠানখনিৰ স্বত্বাধিকাৰী শালমাৰা গাঁৱৰ ভাতৃদ্বয় কমল কৃষ্ণ ডেকা আৰু ৰাকেশ ডেকাই সৎ প্ৰচেষ্টাত গঢ় লৈ উঠা প্ৰতিষ্ঠানখনৰ উত্তৰোত্তৰ কামনা কৰে। শুভ উদ্বোধনী অনুষ্ঠানত বেজেৰা জিলা পৰিষদৰ সদস্য কিৰণ কাকতি উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

## সংকল্প অভিযানৰ সৈতে সংগতি ৰাখি নমো সেৱা গাঁথা এক অন্তহীন কাহিনী বাটৰ নাট প্ৰদৰ্শন



**ৰমেন ভৰালী, বংশৰ ঃ** ভাৰতৰ যশস্বী প্ৰধানমন্ত্ৰী সন্মানীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জন্মদিন উপলক্ষে আৰু ২৫ বছৰ অবিৰত সেৱা সমৰ্পণ সুশাসনৰ উপলব্ধিৰ সেৱা সংকল্প অভিযান উপলক্ষে যোৱা ২৯ চেপ্তেম্বৰত

*৭ পৃষ্ঠাত*

# ৰটাৰী ক্লাব অব গুৱাহাটী চাউথৰ ‘ৰ’টাৰী জ্ঞানজ্যোতি বঁটা’ প্ৰদান অনুষ্ঠান সম্পন্ন




**ৰমেন ভৰালী, বংশৰ ঃ** যোৱা ২৫ ছেপ্টেম্বৰত গুৱাহাটীৰ ৰাজধানী ৰিজেঞ্চি হোটেলত ৰ’টাৰী ক্লাব অব গুৱাহাটী চাউথৰ উদ্যোগত ২০২৬-২৭ বৰ্ষৰ ৰ’টাৰী জ্ঞানজ্যোতি বঁটা প্ৰদান অনুষ্ঠানটো ক্লাবৰ সভাপতি মঞ্জুশ্ৰী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত তাৰিণীচৰণ চৌধুৰী বালিকা উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষয়িত্ৰী শুভলক্ষ্মী বৰুৱা, গুৱাহাটীৰ হৰিজন বুনিয়াদী বিদ্যালয়ৰ হীৰণ মজুমদাৰ, গুৱাহাটীৰ পামহীৰ অক্ষৰ ফাউণ্ডেচনৰ অলকা দেশাই শৰ্মা, হৰিজন বুনিয়াদী বিদ্যালয়ৰ অপৰূপা দেৱী, কামৰূপ একাডেমীৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী প্ৰণিতা শৰ্মা বৰদলৈ, গুৱাহাটীৰ আশাদীপ ছ’চাইটিৰ পৰাশৰ কাশ্যপ, গড়ভাংগা পাৰিজাত একাডেমীৰ প্ৰকাশ শৰ্মা আৰু দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পৰেশ বৈশ্যক আনুষ্ঠানিক ভাৱে ৰ’টাৰী ক্লাব অব গুৱাহাটী চাউথে ২০২৬-২৭ বৰ্ষৰ ‘ৰ’টাৰী জ্ঞানজ্যোতি বঁটা’ প্ৰদান কৰে। অনুষ্ঠানত কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অধ্যাপক ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য ই মুখ্য অতিথি আৰু বিভাস দাস পুৰকায়স্থই সন্মানিত অতিথি হিচাপে উপস্থিত থাকি বঁটা প্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী সকলক শিক্ষাৰ উত্তৰণৰ হকে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। অনুষ্ঠানত ক্লাবৰ সচিব ড° অঞ্জনা চৌধুৰী শইকীয়া, ক্লাবৰ লিটাৰেৰী চেয়াৰ ৰঞ্জন ভূঞাৰ লগতে ৰ’টাৰী ক্লাব অব গুৱাহাটী চাউথৰ ভালেমান বিষয়ববীয়া উপস্থিত থাকে।

# ড° সুকন্যা গোস্বামীলৈ ৰামচৰণ ভৰালী সোঁৱৰণী বঁটা



**শংকৰ দাস, নলবাৰী-মুকালমুৱা ঃ** নলবাৰীৰ স্বেচ্ছাসেৱী সংস্থা ‘সংবাদ সাহিত্য সমাজ গোষ্ঠী’ৰ প্ৰথম বাৰ্ষিক অধিৱেশনত ড° সুকন্যা গোস্বামীক লোকশিল্পী ‘ৰামচৰণ ভৰালী সোঁৱৰণী’ বঁটাৰে সন্মানিত কৰা হয়। সংবাদ-সাহিত্য-সমাজ গোষ্ঠীৰ বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি নলবাৰী যজ্ঞভূমিস্থিত সেউজী সাহিত্য কাননৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনাচক্ৰত এই বঁটাটি প্ৰদান কৰা হয়। সংগীতৰ ক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে ড° সুকন্যা গোস্বামীক এই বঁটাৰে সন্মানিত কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানটোত ড° বিনয় কুমাৰ মজুমদাৰ, ড° জ্ঞানেন্দ্ৰ বৰ্মন, উৎপল কুমাৰ গোস্বামী, ড° সুশান্ত কুমাৰ কাশ্যপ, ড° ওৱাহিদুৰ ৰহমান আদিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে সংগীতৰ মাজেদিয়েই এখন সুস্থ সমাজ গঢ়াৰ পৰিকল্পনা কৰি অহৰ্নিশে চেষ্টা চলাই অহা নলবাৰী জিলাৰ বিদ্যাপুৰ নিৱাসী শিক্ষাবিদ উৎপল কুমাৰ গোস্বামী আৰু প্ৰৱক্তা ৰীণা দেৱীৰ একমাত্ৰ কন্যা ড° সুকন্যা গোস্বামীয়ে সৰুৰে পৰাই সংগীত সাধনাত ব্ৰতী হৈ সম্প্ৰতি এক সুকীয়া পৰিচয় অৰ্জন কৰিবলৈ সক্ষম হৈছে। অসমৰ বিভিন্ন মঞ্চত সংগীত পৰিৱেশনৰ উপৰি তেওঁ কেইবাটাও গীতত কণ্ঠদান কৰিছে। অসমীয়া চলচ্চিত্ৰ আৰু মোবাইল থিয়েটাৰৰ বাবেও তেওঁ কণ্ঠ নিগৰাই দৰ্শক-শ্ৰোতাৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সংগীতৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে তেওঁ ইতিমধ্যে কেইবাটাও ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈছে। আনহাতে শিক্ষকতাক ব্ৰত হিচাপে লোৱা সুকন্যা গোস্বামীয়ে নলবাৰী জিলা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰৱক্তা হিচাপে সেৱা আগবঢ়াই আহিছে। ‘সংবাদ সাহিত্য সমাজ গোষ্ঠীয়ে ড° সুকন্যা গোস্বামীক ‘লোকশিল্পী ৰামচৰণ ভৰালী সোঁৱৰণী’ বঁটা প্ৰদান কৰাত নলবাৰীৰ বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি বিশেষে শুভেচ্ছা জ্ঞাপন কৰিছে।

# মুকালমুৱাত ১৪ সংখ্যক চক্ৰধৰ ডেকা সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ সামৰণি

## চক্ৰধৰ ডেকা ফুটবলত সোণাপুৰ স্পোৰ্টচ ক্লাবৰ খিতাপ




**শংকৰ দাস, নলবাৰী, মুকালমুৱা ঃ** নলবাৰী জিলাৰ মুকালমুৱাস্থিত দেশভক্ত ময়দানত চলি থকা ১৪ সংখ্যক চক্ৰধৰ ডেকা সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত খিতাপ দখল কৰিছে সোণাপুৰ স্পোৰ্টচ ক্লাবে। প্ৰতিযোগিতাৰ অন্তিমখন তথা চূড়ান্ত খেলখনত সোণাপুৰ স্পোৰ্টচ ক্লাবে জাওলাই এফ চি ইউনাইটেড কোকৰাঝাৰ দলক ৩-১ গ’লৰ ব্যৱধানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ খিতাপ দখল কৰে। মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত, অইল ইণ্ডিয়া লিমিটেড আৰু এন আৰ এলৰ আংশিক অৰ্থসাহায্যত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিযোগিতাখনৰ ফাইনেল খেলখন উপভোগ কৰিবলৈ দেশভক্ত ময়দানত হাজাৰ হাজাৰ ক্ৰীড়াপ্ৰেমীৰ সমাগম হয়। ফাইনেল খেলখন উদ্বোধন কৰে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন অসম কন্যা তথা ‘ধিং এক্সপ্ৰেছ’ খ্যাত হিমা দাসে। অনুষ্ঠানত কণ্ঠশিল্পী দীপান্বিতা ডেকাই কেইবাটাও গীত পৰিৱেশন কৰি উপস্থিত দৰ্শকক আপ্লুত কৰে। আনহাতে, উদীয়মান কণ্ঠশিল্পী জ্যোতি পলে ‘মায়াবিনী’ গীতেৰে প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গক স্মৰণ কৰে। উল্লেখযোগ্য যে এইবাৰৰ প্ৰতিযোগিতাখনত কেইবাটাও ৰাষ্ট্ৰীয় পৰ্যায়ৰ দলসহ মুঠ ১২টা দলে অংশগ্ৰহণ কৰে। খেলৰ শেষত অনুষ্ঠিত হয় বঁটা প্ৰদান অনুষ্ঠান। বঁটা প্ৰদান অনুষ্ঠানত খেলখনৰ বিভিন্ন শিতানত পাৰদৰ্শিতা দেখুওৱা খেলুৱৈক বিভিন্ন শিতানৰ বঁটাৰ লগতে নগদ ধনেৰে পুৰস্কৃত কৰে। তাৰ পিছতে প্ৰতিযোগিতাৰ বিজয়ী সোণাপুৰ স্পোৰ্টচ ক্লাব নলবাৰীক নগদ ৫ লাখ টকা, প্ৰমাণ-পত্ৰ আৰু ট্ৰফী প্ৰদান কৰাৰ লগতে ৰানাৰ্ছ-আপ জাওলাই এফ চি ইউনাইটেড, কোকৰাঝাৰ দলক নগদ ৩ লাখ টকা, প্ৰমাণ পত্ৰ আৰু ট্ৰফী প্ৰদান কৰে।

# ‘এডভাণ্টেজ অসম ২.০’ শিৱসাগৰ জিলাৰ উদ্যমী উদ্যোগীসকলৰ সৈতে জিলা আয়ুক্তৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** অসম চৰকাৰৰ নিৰ্দেশমৰ্মে ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডক বিকশিত আৰু শক্তিশালী কৰাৰ লগতে বিনিয়োগৰ পথ প্ৰশস্তকৰণ তথা উদ্যমী উদ্যোগীসকলৰ আৰ্থিক সৰলীকৰণৰ দিশত উৎসাহিত কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা ‘এডভাণ্টেজ অসম ২.০’ আঁচনিৰ অধীনত শিৱসাগৰ জিলাৰ অন্তৰ্গত যিসকল বিনিয়োগকাৰী উদ্যোগীয়ে নিজ-নিজ উদ্যোগ স্থাপন আৰু সম্প্ৰসাৰিত কৰাত বৰ্তমানলৈও পিছ পৰি আছে, তেওঁলোকৰ সৈতে শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱৰ অধ্যক্ষতাত যোৱা ২৫ ছেপ্তেম্বৰত জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে বৰ্তমানলৈ জিলাখনৰ ৩৮ গৰাকী পিছ পৰি থকা বিনিয়োগকাৰী উদ্যোগীসকলৰ সৈতে পোনপটীয়াকৈ মত-বিনিময় কৰি তেওঁলোকৰ প্ৰস্তাৱিত উদ্যোগসমূহ কি কি কাৰণ বা অসুবিধাৰ বাবে পিছ পৰি আছে, সেই সন্দৰ্ভত পুংখানুপুংখকৈ খতিয়ান গ্ৰহণ কৰে। তেওঁ ভূমি সংক্ৰান্তীয় সমস্যা যেনে ভূমি পুনঃশ্ৰেণী বিভাজন ইত্যাদি, বেংক ঋণ বা আৰ্থিক সমস্যা, বা অন্যান্য বিভিন্ন কাৰণ বা অসুবিধাৰ বাবে যিসমূহ উদ্যোগ স্থাপন বা সম্প্ৰসাৰণত বাধাৰ সৃষ্টি হৈছে, সেই সমূহৰ সমাধানৰ বাবে বিভাগীয় সমন্বয় আৰু ক্ষিপ্ৰ কাৰ্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনায়। তেওঁ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ লগতে সংশ্লিষ্ট বিভাগীয় বিষয়াসকলক ঔদ্যোগিক এলেকাসমূহ পৰিদৰ্শন কৰি সামগ্ৰিক ব্যৱস্থাপনাৰ বুজ লোৱাৰ লগতে কাৰ্যক্ষেত্ৰত সন্মুখীন হোৱা বাধা-বিঘিনিসমূহৰ কাৰকসমূহ বিশ্লেষণ কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে। বৈঠকত জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত সাধাৰণ প্ৰবন্ধক মৃণাল দাস, অগ্ৰণী বেংক প্ৰৱন্ধক জয়দীপ চৌধুৰী, বিভিন্ন সংশ্লিষ্ট বিভাগৰ বিষয়াসকল আৰু বিনিয়োগকাৰী উদ্যোগীসকল উপস্থিত থাকে।

# কেন্দ্ৰীয় মন্ত্ৰী ৰামদাস আঠৱালেক সাক্ষাৎ অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ



**জয়ন্ত মুদৈ ঃ** চৰকাৰী কাৰ্যসূচীৰ বাবে অসমলৈ অহা কেন্দ্ৰীয় মন্ত্ৰী ৰামদাস আঠৱালেক মঙলবাৰে সাক্ষাৎ কৰে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ প্ৰতিনিধি দলে। সভাপতি সঞ্জীৱ দাস আৰু মুখ্য উপদেষ্টা পৱিত্ৰ হাজৰিকাৰ নেতৃত্বত যোৱা দলটোৱে ৪০০ কোটি টকাৰ বিশেষ পেকেজকে ধৰি কেইবাটাও দাবীৰ স্মাৰকপত্ৰ দিয়ে।

**মুখ্য দাবীসমূহ ঃ**

**১। ভুৱা জাতিগত প্ৰমাণপত্ৰ ৰোধ ঃ** মিছন ভূমিপুত্ৰৰ জৰিয়তে কেৱল পিতৃৰ প্ৰমাণ-পত্ৰৰ ভিত্তিত প্ৰমাণ-পত্ৰ দিয়া বন্ধ কৰি পুৰণি ভূমি-নথি, 19511 NRC, ভোটাৰ তালিকা, বংশবৃক্ষ পৰীক্ষা বাধ্যতামূলক কৰা আৰু ভুৱা প্ৰমাণ-পত্ৰৰে চাকৰি লোৱা সকলৰ বিৰুদ্ধে তদন্ত। **২। আৰ্থিক কেলেংকাৰীৰ তদন্ত ঃ** ২০২২-২৪ বৰ্ষত SC কল্যাণ সঞ্চালকালয়ৰ টিভি, গেছ চৌকা আদি বিতৰণত কোটি কোটি টকাৰ কেলেংকাৰীৰ CBI আৰু CAG তদন্তৰ দাবী। **৩। অন্যান্য দাবী ঃ** কেওঁট সম্প্ৰদায়ক SC তালিকাত অন্তৰ্ভুৰ্ক্তকৰণৰ বিৰোধিতা, বেকলগ পদ পূৰণ, প্ৰতিখন জিলাতে ড° আম্বেদকাৰ ভৱন আৰু SC ছাত্ৰাবাস নিৰ্মাণ, ভূমিহীনক মাটিৰ পট্টা, চাফাই কৰ্মীৰ সুৰক্ষা। **৪। ৪০০ কোটিৰ পেকেজ ঃ** দক্ষতা বিকাশৰ বাবে ৫০ কোটি, জীৱিকাৰ বাবে ১০০ কোটি, মহিলা আত্মসহায়ক গোটৰ বাবে ৫০ কোটি, শিক্ষাৰ আন্তঃগাঁথনিৰ বাবে ১০০ কোটি আৰু সম্প্ৰদায় কেন্দ্ৰৰ বাবে ১০০ কোটি টকাৰ দাবী। মন্ত্ৰীগৰাকীয়ে সকলো বিষয় গভীৰভাৱে চালি-জাৰি ব্যৱস্থা লোৱাৰ আশ্বাস দিয়ে বুলি সংগঠনটোৱে জানিবলৈ দিয়ে।

# শৰৎ মানেই শেৱালিৰ সুৱাস

## সেই সুৱাসে কঢ়িয়াই আনে উৎসৱৰ আৰম্ভণি

■ **নমিতা দাস,** শুৱালকুছি

**শ**ৰৎ মানেই সুৱাস মন-প্ৰাণ উৎফুল্লিত হৈ পৰা ঋতু ছয়োটাৰ ভিতৰত বসন্ত আৰু শৰতকে প্ৰশস্ত বুলি ধৰা হয়। শৰৎ হৈছে ঋতুৰ ৰাণী। বৰ্ষাৰ বৰষুণে সকলো মলিনতা আঁতৰাই নিয়াৰ পিছতেই শৰতৰ আগমণে হীম শিতল মৃদু মলয়াই গ্ৰীষ্মৰ উত্তাপ নেওচি ধৰিত্ৰীৰ বুকুলৈ নমাই আনে উৰ্বৰা শক্তি। সোণোৱালী শৈচেৰে হেঁপাহৰ পথাৰখন সেউজ কৰি তোলে। নিয়ৰৰ কণিকা বোৰে দুবৰী সৈতে দলিচা পাৰি মিতিৰালী কৰাৰ সময়তেই চিনা-অচিনা চৰাইবোৰে ৰং মনে শৰৎ অহাৰ বাতৰি বিলাই। পাৰ ভাঙি উপচি পৰা নৈখনেও নিজৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে। ডাৱৰে চানি ধৰা আকাশ খনো নীল বৰণেৰে আবৰি ধৰে। শান্ত সৌম্য প্ৰকৃতিৰ বুকুত বিলিন হয় জিল মিল কহুৱা জোপা মলয়া চাতিৰ তালত তাৰ মিলায় নাচোনত ভাগে ককাল। সুজলা-শুফলা অসমী আইৰ কৃষকৰ মুখত হাঁহি বিৰিঙাই শৰতৰ প্ৰতিটো প্ৰভাতে। শৰৎ হেঁপাহৰ অতিথি।

ভাদমাহৰ সংক্ৰান্তিৰ পিছতে প্ৰখৰ ৰ'দ-বৰষুণক নেওচি পথাৰত কাম কৰা চহা খেতিয়ক সকলৰ কষ্ট উপাৰ্জিত পথাৰখনৰ সেউজ পৰিৱেশে মনলৈ কঢ়িয়াই আনে প্ৰশস্তিৰ হাঁহি। আহিন মাহৰ আগমনে চহা খেতিয়কৰ ৰৌদ্ৰোজ্বল দিনৰ তাপমাত্ৰা কমোৱাত নিয়ৰৰ সিক্ত পথাৰত শাক চতিয়াই অৱশিষ্ট পথাৰখনো সেউজ কৰি তোলে। সেউজ পথাৰৰ মোহনীয়তাই কবি, গীতিকাৰৰ মনত ৰং বোৱাই। সেয়ে জ্যোতিপ্ৰসাদ আগৰৱালা দেৱে লিখিছিল-

সেউজী সেউজী সেউজী অ'
সেউজী ধৰনী ধুনীয়া।
সোণোৱালী শইচৰ পথাৰ কোলাত শোভে
ৰ'দালিৰে ফুল ফল সেন্দুৰীয়া।

শৰতৰ আগমনৰ লগে লগে শেৱালিৰ আগমণ ঘটে। শৰৎ আৰু শেৱালি দুয়ো যেন অভিন্ন। শৰতৰ কথা মনলৈ আহিলেই পদূলি মূৰৰ শেৱালি জোপালৈ মনত পৰে। শুভ্ৰ শেৱালিয়ে প্ৰতি নিশাই তীব্ৰ সুগন্ধি বিলাই কলুষতা আঁতৰাই আলোকিত কৰে শেৱালিৰ সুগন্ধিত পুলকিত হয় হৃদয়। পুৱতিৰ লগে লগে তল সৰা শেৱালিয়ে দুবৰীৰ ওপৰত শুভ্ৰ দলিচা পাৰি নিয়ৰৰ মুকুতাৰ সৈতে মিতিৰালি পাতে। এয়াই শৰৎ শেৱালি ফুলাৰ শৰৎ তাতেই নৈ পাৰত কহুৱা ফুলিবলৈ লয়। ৰূপহী কহুৱা বনে হালি-জালি মন হৰি নিয়ে। সেয়ে সুধাকণ্ঠ ড° হাজৰিকা দেৱে গাইছিল-

কঁহুৱা বন মোৰ অশান্ত মন।
আলফুল হাতেৰে লোৱা সাৱটি
এটি এটি ক্ষণ যেন মুকুতাৰে ধন
এনেয়ে হেৰুৱালে নাহে উভতি।।

কহুৱাৰ আগমণে চৌদিশে আৰম্ভ হয় উৎসৱ মুখৰ পৰিৱেশ। ধৰালৈ আগমণ ঘটে মা দূৰ্গাদেবীৰ। আৰম্ভ হয় দুৰ্গোৎসৱ। প্ৰাণ দায়িনী, শক্তি দায়িনী, মমতাৰ স্বৰূপ দেৱীয়ে শৰৎ কালৰ শস্যৰে ভৰপূৰ কৰি সেই শস্যৰেই আমাৰ প্ৰাণ ৰক্ষা কৰে। সকলো ব্যাধি, অপাই অমঙ্গল ন্যাশি আসুৰিক শক্তি দমন কৰি পাঁচ দিন গাঁৱে-ভূঞে চহৰে-নগৰে এই উৎসৱৰ আনন্দ উপভোগ কৰে। প্ৰবচন মতে ৰামচন্দ্ৰই সীতাক উদ্ধাৰৰ হেতু শৰৎ কালত দুৰ্গা দেৱীৰ পূজা কৰি ৰাৱণৰ পৰা সীতাদেৱীক উদ্ধাৰ কৰিছিল তেতিয়াৰ পৰাই এই পূজা শৰৎ কালত পতা হয়।

গ্ৰীষ্ম, বৰ্ষা ঋতুৰ পিছতেই শীতৰ আৰম্ভণি সেয়ে এই সময়খিনিত গৰম বা ঠাণ্ডাৰ বেছি প্ৰকোপ নপৰে। শৰৎ মানেই উৎসৱৰ সমাহাৰ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱ গুৰুজনাৰ জন্ম হৈছিল শৰৎ কালতেই, বৰদোৱাৰ আলিপুখুৰীত জন্ম লোৱা গুৰু জনাই বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কীৰ্তন, দশমকে ধৰি বৰগীত, অংকীয়া নাট -ভাওনা, খোল-তাল, ডবাৰ সৃষ্টি কৰি এই ধৰ্মৰ প্ৰধান উপাস্য দেৱতা পৰম পুৰুষ ভগৱান শ্ৰীকৃষ্ণ সম্পৰ্কে এইদৰে কোৱা হৈছে-

শ্ৰীমদ্ভাগৱতে প্ৰতিপন্ন কৰা প্ৰত্যয়ৰ আধাৰতে শংকৰ দেৱে কৈছে -

কৃষ্ণসে পৰম দেৱ কৃষ্ণক কৰিয়ো সেৱ
কৃষ্ণত সৰ্বদা দিয়া মতি।
আছে হৃদিপথ মাজে ঈশ্বৰ কৃষ্ণত বাজে
আন কোনো দেৱে দিব গতি।।

কৃষ্ণই সমস্ত জগতৰ পালন কৰ্তা, সমগ্ৰ ব্ৰহ্মাণ্ড তেওঁতে আছে বুলি জগত গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে ঈশ্বৰৰ গুণানুকীৰ্তন কৰি ভক্তগণৰ মাজত ঈশ্বৰ সম্পৰ্কে ভক্তি ৰস বিলাই দিছিল সেইজন মহাপুৰুষৰ জন্মোৎসৱ ধুম ধামেৰে পালন কৰা হয়। এই উৎসৱকে আদি কৰি বিশ্বকৰ্মা, লক্ষ্মী পূজা, কালীপূজাকে আৰম্ভ কৰি পোহৰৰ উৎসৱ দীপাৱলী পোহৰে উজ্বলাই তোলা হয় গোটেই ভাৰতবৰ্ষ। এই উৎসৱ হিন্দু ধৰ্মৰ এটি মুখ্য উৎসৱ। দীপাৱলীৰ মূল অৰ্থ হৈছে পোহৰৰ উৎসৱ বা দীপৰ পংক্তি। প্ৰবচন অনুসৰী ভগৱান শ্ৰীৰামচন্দ্ৰই চৈধ্য বছৰ বনবাস খাতি উভতি অহাৰ পথত ৰাম, লক্ষ্মণ আৰু সীতা দেৱীয়ে অযোধ্যা নগৰত প্ৰৱেশ কৰাৰ সময়ত গোটেই নগৰখন চাকিৰে পোহৰাই তুলিছিল সেই সময়ত প্ৰজাগণে আনন্দৰ উৎসৱ পাতিছিল। সেইদিনা ধন সম্পত্তিৰ অধিষ্ঠাতা দেৱী মা লক্ষ্মীক পূজা কৰা হয়। লোকবিশ্বাস অনুসৰি দীপাৱলীৰ দিনা ৰাতি লক্ষ্মী দেৱী ঘৰলৈ আহে। যি বিলাকৰ ঘৰ চাফ-চিকুণ আৰু পোহৰাই ৰাখে তেওঁলোকক কৃপা দৃষ্টি নিক্ষেপ কৰে।

শৰৎ কালতেই পূৰ্ণিমা তিথিত ৰাস পালন কৰা হয়। ৰাস হৈছে নব ৰসৰ সমাহাৰ। এই মহোৎসৱ হৈছে আত্মাৰ পৰা পৰাত্মালৈ সুখানভূতিৰ এটি ধৰ্মীয় অনুষ্ঠান। ভগৱান শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰে গোপী সকলৰ মন প্ৰাণ হৰি নিয়াত যি যৰে কাম তাতেই পেলাই বৃন্দাবনলৈ ধাপলি মেলিছিল গোপী সকলৰ এনে কাৰ্য্যত ভগৱান শ্ৰীকৃষ্ণই তেওঁলোকক ঘৰলৈ উভতি যাবলৈ কৈছিল কিয়নো তেওঁলোকে সংসাৰ ধৰ্ম পালন কৰা দৰকাৰ। কিন্তু গোপী সকল দৃঢ় প্ৰতিজ্ঞাপন্ন আছিল, ভগৱান ভক্তৰ অধিন তেওঁলোকৰ দৃঢ়তা দেখি ভগৱান শ্ৰীকৃষ্ণই তেওঁলোকৰ লগত ৰাস লীলা আৰম্ভ কৰিলে। শ্ৰীকৃষ্ণই গোপীগণৰ লগত ৰাস লীলা কৰাৰ লগে লগে তেওঁলোকৰ অধীন বুলি গৰ্ব অহঙ্কাৰ হ'ল সেই তেতিয়াই ৰাধাক লৈ শ্ৰীকৃষ্ণ অন্তৰ্ধান হ'ল। পিছত গোপীসকলে নিজৰ ভুল বুজিব পাৰিলে শ্ৰীকৃষ্ণক মোৰ বুলি ভাবি যি ভুল কৰিলে সেই ভুলৰ বাবে তেওঁ অন্তৰ্ধান হৈছে। তেওঁ হৈছে ত্ৰিজগতৰ পতি। তেওঁক কোনো বান্ধোনেৰে বান্ধি ৰাখিব নোৱাৰি। গোপীসকলে নিজৰ ভুল বুজিব পাৰি শ্ৰীকৃষ্ণক পৰম ব্ৰহ্ম বুলি একাগ্ৰচিত্ৰে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে ভক্তৰ ভক্তিত ভগৱানে সন্তোষ লভিলে য'ত গোপী ত'ত কৃষ্ণ হৈ গোপীসকলৰ অভিলাষা পূৰ্ণ কৰাৰ নিমিত্তে তেওঁ লোকৰ লগত ৰাসলীলা সম্পন্ন কৰিলে।

তুলসীৰ তলে তলে
মৃগ পহু চৰে তাকে দেখি
ৰাম চন্দ্ৰই ধেনু শৰ ধৰে'।

কাতি বিহু অসমৰ জাতীয় উৎসৱ বিহু তিনিটাৰ ভিতৰতে অন্যতম। এই বিহুৰ পৰাই শৰৎ কাল শেষ হৈ হেমন্ত ঋতু আৰম্ভ হয় প্ৰকৃতিৰো পৰিবৰ্তন হয়। পৃথিৱীলৈ নমাই আনে নিয়ৰৰ কণিকা। আহিনৰ সংক্ৰান্তিৰ দিনা এই বিহু পালন কৰা হয়। কৃষিৰ লগত এৰাব নোৱাৰা সম্পৰ্ক আছে বাবে এই বিহু কৃষি ভিত্তিক, কৃষক সমাজত বহুলভাৱে প্ৰসিদ্ধ। কাতি মাহত ভঁৰাল উদং হয় বাবে এই মাহত অভাৱ অনাটন থাকে সেয়েহে কাতি বিহুক কঙালী বিহু নামে পৰিচিত। এই বিহুত অইন দুটা বিহুৰ দৰে ৰং ৰহইচ কৰা বা ভোগ-বিলাস তেনেকৈ কৰা নহয়। তথাপি এই বিহু আমাৰ অতিকৈ আদৰৰ পৱিত্ৰতা, আশা সমৃদ্ধি আৰু শান্তিৰ এক বিশেষ অনুভৱ থাকে।

অসমীয়াৰ প্ৰতিঘৰ মানুহে তুলসী ৰোপণ কৰি তুলসীৰ তলত নতুবা থাপনাত শৰাই, ধূপ-চাকি জ্বলাই নিজৰ লগতে জনসাধাৰণৰ সুখ শান্তি আৰু সমৃদ্ধিৰ বাবে ভক্তিপূৰ্ণভাৱে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। এই বিহুত কৃষকসকলে খেতি পথাৰত চাকি বন্তি জ্বলোৱাৰ লগতে আকাশ বন্তি জ্বলাই ধাননি পথাৰত সোণগুটি সুৰক্ষিত কৰে। খেতি পথাৰত চিনা-অচিনা পোকে আহি যাতে খেতিডৰা নষ্ট কৰিব নোৱাৰে তাৰ কাৰণে ঈশ্বৰৰ ওচৰত আৰাধনা কৰি এই কাতি বিহুৰ দিনাৰ পৰা সমগ্ৰ মাহটোতে চাকি জ্বলোৱাৰ লগতে আকাশ বন্তি জ্বলাই। লোক বিশ্বাস অনুসৰি এই সময়ত ভগৱান বিষ্ণু দীৰ্ঘ নিদ্ৰাৰ পৰা সাৰ পায় সেয়েহে এই মাহত ভগৱান বিষ্ণু আৰু লক্ষ্মী দেৱীক পূজা কৰিলে বিশেষ ফল লাভ কৰিব পাৰি। হিন্দূ ধৰ্মত এই মাহক পৱিত্ৰ আৰু মঙ্গলকাৰী মাহ হিচাপে ধৰা বাবে বহু লোকে এই মাহটোত দিনটো উপবাসে থাকি গধুলি নিৰামিষ আহাৰ গ্ৰহণ কৰে।

শৰৎ চন্দ্ৰ ক্ৰান্তি অতি সুকোমল।
দেখি মহা সন্তোষিত গোপীকা সকল।।

শৰতৰ আগমণে প্ৰকৃতিৰ বুকুত ন-ৰহন সানে। শেষ কৰিম বুলিও যেন শেষ নহয় শৰতৰ বৰ্ণনা। প্ৰকৃতিয়ে ৰহন সনাৰ ধৰণেৰেই আটাইৰে জীৱনৰ অসূয়া অমঙ্গল নাশ হৈ প্ৰতিজনৰে জীৱনলৈ কঢ়িয়াই আনক শৰৎ কালৰ ন-সূৰুযৰ কিৰণ।

**ম'বাইল ঃ** ৯১০১৮-৩৪৯৪৫

# নামঘৰ আৰু মহাপুৰুষ গুৰুজনা শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ

**অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

জয় জয় বৰদোৱা বৈকুণ্ঠ দুতয়।
সেহি স্থানে শঙ্কৰ গুৰু ভৈল উদয়।।
চাৰিওফালে চাৰি হাটী মহা ভক্ত গণ।
চৈধ্যয় প্ৰসংগ কৰে নাম কীৰ্তন।।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আমাৰ অসমীয়া সমাজৰ এগৰাকী আদৰ্শ গুৰু, তেখেতক পৰম পিতা পৰমেশ্বৰে অৱতাৰ ৰূপে পথোৱা যেন লাগে, ঐতিহাসিক সেই সময়ত অন্ধকাৰ সমাজৰ পোহৰৰ বাটৰ সন্ধান দিয়া মহান ব্যক্তি গৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। শিৰোমণি ভূঞাৰ বংশত জন্মগ্ৰহণ কৰা মহাপুৰুষজনাই সমাজ তথা পৰিয়াল আদিৰ মাজত উচ্চ-নিচ ব্যৱধান দূৰ কৰিবলৈ এক শৰণ বৈষ্ণৱ ধৰ্মৰ পাতনি মেলিছিল। তেওঁ পূজা পাতল জীৱহত্যা ইত্যাদিৰ বিৰোধিতা কৰিছিল। তেওঁৰ মতে এটা জীৱক হত্যা কৰি এটা জীৱ কেতিয়াও সুখী হ'ব নোৱাৰে। তেখেতৰ এক শৰণ হৰিনাম ধৰ্মৰ আদৰ্শক গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, কৈৱৰ্তৰ ৰাধিকা, মিছিঙৰ পৰমা, আহোমৰ নৰহৰি আদিয়ে এক মত পোষণ কৰি নিকা সমাজ প্ৰতিষ্ঠাৰ অংশীদাৰ হৈছিল। সকলো জীৱ ইশ্বৰৰ সৃষ্টি সকলোৰে অন্তৰত ইশ্বৰে বাস এয়া তেখেতৰ উদাৰসম দৃষ্টিভংগী সমাজখনৰ কাৰণে ধনাত্মক দিশ অশুভ শক্তিৰ নাশৰ এক বিৰল উদাহৰণ। কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎচৰ্য এই ছয় ৰিপুক দমন কৰিব পাৰিলে ব্যক্তিয়ে অসাধ্য সাধন কৰিব পাৰে। সৎকৰ্ম আৰু মানৱতা আছিল মহাপুৰুষজনাৰ প্ৰকৃত আদৰ্শ।

মহাপুৰুষ জনাৰ ধৰ্ম প্ৰচাৰত নামঘৰৰ এক উল্লেখযোগ্য ভূমিকা আছে। নামঘৰ আৰু অসমীয়া সমাজখনৰ এক ওতঃপ্ৰোত সম্পৰ্কৰ আছে।পূৰ্ব পুৰুষ সকলৰ সামাজিক সকলো কামৰ আলোচনা-পৰ্যালোচনা নামঘৰত বহি সকলো সিদ্ধান্ত গ্ৰহণ কৰিছিল। নামঘৰ উপাসনা স্থল হোৱাৰ লগতে অসমীয়া সমাজখনৰ সকলো বিষয়ৰ নিষ্পত্তি স্থল হিচাপে পৰিগণিত হৈছিল এতিয়াও দুই এঠাইত নিশ্চয় আছে। গাঁৱত ভাওনা, সভাহ, ৰং-ধেমালি সকলো নামঘৰতে উদ্‌যাপন কৰিছিল এতিয়াও হয়। প্ৰভূ শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা,ফাকুৱা খুব ধুম ধামেৰে বৰদোৱা, দৌল গোৱিন্দ, শুৱালকুছি শ্ৰীহাটী সত্ৰ এনেকৈ বিভিন্ন সত্ৰ নামঘৰত অনুষ্ঠিত হোৱা দেখিছোঁ। গতিকে অসমীয়া সমাজ জীৱনত নামঘৰৰ উল্লেখযোগ্য ভূমিকা আছে।

কিন্তু এই নামঘৰ উৎপত্তি আমাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ আশীৰ্বাদত।

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাহি নাহি
আমাৰ পৰম গুৰু।

সমাজ জীৱনলৈ তেওঁৰ অৱদান সত্ৰ-নামঘৰ আৰু বৰগীত ইত্যাদি অনেক আছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে ধৰ্মৰ চাৰিখুঁটি মাৰি ভাগৱত ধৰ্মৰ পাতনি মেলিছিল। এই ভাগৱত ধৰ্মৰ প্ৰৱৰ্তনৰ খাতিৰত চাৰিহাটি, দৌলগৃহ, মণিকূট,কীৰ্তন ঘৰ আদিত ভক্তগণ আদি সমাহাৰে জ্ঞানৰ আলোক বিতৰণ কৰিছিল, যাক আমি নামঘৰ বুলি কওঁ।

এই নামঘৰ বা কীৰ্তন ঘৰত হৰিৰ-কথা চৰ্চাৰ প্ৰসংগ, গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তু। গুৰুজনাৰ আশীৰ্বাদ লৈ ১৫৪৩ খ্ৰীষ্টাব্দত তেওঁৰ পৰম শিষ্য মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱে বৰপেটা সত্ৰ স্থাপন কৰে। তিনি প্ৰসঙ্গৰ পৰিবৰ্তে চৈধ্য প্ৰসঙ্গ, গীত মাত ঘোষা আদি পৰিবেশন কৰিছিল।

বৰপেটা,কমলাবাৰী ,শুৱালকুছি ঈশ্বৰ শ্ৰী শ্ৰী হাটী সত্ৰ ইত্যাদি তেওঁৰ শিষ্য সকলে স্থাপন কৰি, খোল-বাদ্য, হৰি নাম প্ৰসঙ্গ পৰম্পৰাগতভাৱে পৰিৱেশন কৰি অসমীয়া সমাজখনৰ এক উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছিল যাৰ কাৰণে এতিয়াও এক আধ্যাত্মিক সৎ পথত আগুৱাই যোৱাত সমাজখনক সহায় কৰিছে।

অসমৰ সমাজ জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা শ্ৰীমন্ত শঙ্কৰ দেৱে সত্ৰ !নামঘৰ প্ৰতিষ্ঠা কৰি আৰু বৰগীত সমূহ ৰচনা কৰি, লোক-সংস্কৃতি চৰ্চা কৰি আমাৰ সমাজখনৰ বিকাশৰ কাৰণে এক উল্লেখনীয় পথ প্ৰদৰ্শন কৰি থৈ গৈছে । তেখেতৰ একমাত্ৰ উদ্দেশ্য আছিল সমাজখন সংস্কাৰ কৰি কু-সংস্কাৰ নাশ কৰা। সাম্প্ৰতিক সময়ত বিভিন্ন পৰিস্থিতি চিন্তা চেতনাবোৰ পৰিৱৰ্তন হৈছে যদি ভাল আৰু শুদ্ধ পথত হয় সেয়া শুভ লক্ষণ। যদি নহয় সময়ৰ সোঁতত উটি যোৱা বিধৰ হয়, তেন্তে সেয়া হ'ব জাতিটোৰ বাবে চৰম দুৰ্ভাগ্যৰ বিষয়। গতিকে অসমীয়া জাতিটোৰ বৌদ্ধিক জীৱনৰ ওপৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু নামঘৰৰ বিশেষ স্থান আছে। আমি সকলোৱে গুৰুজনাৰ আদৰ্শ লগতে নামঘৰ-সত্ৰ পৱিত্ৰ ঠাইবোৰ ৰক্ষণাবেক্ষণ দিব লাগিব। সমাজখনক শুদ্ধ পথত আগবঢ়াই নিব লাগিব। ধৰ্মক দোহাই দি কিছুমান অশুদ্ধ বাতাবৰণ গঢ়ি তুলিব চেষ্টা কৰা সকলৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব লাগিব। কেতিয়াবা কিছুমান লোকৰ কুচক্ৰান্তৰ কাৰণে জটিল সমাজ ব্যৱস্থাৰ সৃষ্টি হয় তাক আমি নিঃশেষ কৰিব লাগিব। আমাৰ দায়িত্ব আমাক গুৰু জনাই দি যোৱা সৎ আদৰ্শ নৱপ্ৰজন্মৰ আগত দাঙি ধৰিব লাগিব। গতিকে নামঘৰৰ দৰে পৱিত্ৰ ঠাইতহে সকলো সম্ভৱ।

**ম'বাইল ঃ** ৭০০২৯-৪২৫৯১

# ‘মোৰ স্বাস্থ্য, মোৰ গৌৰৱ’ অভিযানৰ অধীনত বৰপেটা অসামৰিক চিকিৎসালয়, কলগাছিয়াত স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু সজাগতা সভা অনুষ্ঠিত




**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** ‘নিচামুক্ত যুৱ সমাজ, বিকশিত ভাৰত’ অভিযানৰ অধীনত অনুষ্ঠিত ‘১০০ দেওবসীয়া অভিযান’-ৰ অংশ হিচাপে মাই ভাৰতৰ সহযোগত কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত ‘মোৰ স্বাস্থ্য, মোৰ গৌৰৱ’ শীৰ্ষক এক স্বাস্থ্য পৰীক্ষা শিবিৰ তথা সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানটোত প্ৰায় ১০০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীটোৰ মূল উদ্দেশ্য আছিল স্বাস্থ্যকৰ জীৱনশৈলী, ৰোগ প্ৰতিৰোধমূলক স্বাস্থ্যসেৱা আৰু নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত পৰা ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে যুৱ সমাজৰ মাজত সজাগতা সৃষ্টি কৰা। অনুষ্ঠানৰ অংশ হিচাপে অংশগ্ৰহণকাৰী যুৱক-যুৱতীসকলৰ বিস্তৃত স্বাস্থ্য পৰীক্ষা কৰা হয়। বিভিন্ন বিশেষজ্ঞ চিকিৎসা বিভাগৰ চিকিৎসকসকলে অংশগ্ৰহণকাৰীসকলক চিকিৎসা পৰামৰ্শ আৰু স্বাস্থ্যসেৱা আগবঢ়ায়। ইয়াৰ ভিতৰত মনোৰোগ, সাধাৰণ চিকিৎসা, প্ৰসূতি আৰু স্ত্ৰীৰোগ, শিশুৰোগ আৰু দন্ত চিকিৎসা আদি বিভাগৰ চিকিৎসক উপস্থিত আছিল। ইয়াৰ উপৰি অনুষ্ঠিত সজাগতা সভাত সুষম পুষ্টি, নিয়মীয়া শাৰীৰিক ব্যায়াম, স্বাস্থ্যকৰ জীৱনশৈলী আৰু ৰোগ প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হয়। অংশগ্ৰহণকাৰীসকলক নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ আৰু আসক্তিৰ ফলত হ’ব পৰা হ্ৰ স্বম্যাদী আৰু দীৰ্ঘম্যাদী স্বাস্থ্যজনিত ক্ষতিৰ বিষয়ে সজাগ কৰা হয়। লগতে নিচামুক্ত জীৱন যাপনৰ বাবে সময়মতে উপযুক্ত সহায় আৰু পেছাদাৰী চিকিৎসা সেৱা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে যুৱ সমাজক স্বাস্থ্যকৰ অভ্যাস গ্ৰহণ, সচেতন সিদ্ধান্ত গ্ৰহণ আৰু সুস্থ তথা নিচামুক্ত জীৱন যাপন কৰিবলৈ উৎসাহিত কৰাৰ লগতে বিকশিত ভাৰতৰ লক্ষ্যত অৰিহণা যোগোৱাৰ প্ৰয়াস কৰা হয়। এই উদ্যোগে যুৱ সমাজৰ স্বাস্থ্য সুৰক্ষা, ৰোগ প্ৰতিৰোধমূলক স্বাস্থ্যসেৱা আৰু নিচামুক্ত ভাৰত গঢ়াৰ লক্ষ্য বাস্তৱায়নৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগ আৰু সহযোগী সংস্থাসমূহৰ দায়বদ্ধতাক পুনৰ দৃঢ় কৰে।

# আধুনিক প্ৰযুক্তিত কণ-কণ শিশুসকলৰ আসক্তি ঃ মাতৃসকলৰ ভূমিকা

**দীপিকা ফুকন,** চুঙাজান, গোলাঘাট



আধুনিক প্ৰযুক্তি বুলি ক’লে আমি প্ৰধানকৈ মোবাইল ফোনৰ কথাই ক’ব লাগিব। ইয়াৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি, কিন্তু অবাবত ব্যৱহাৰ আৰু অবিহনে থাকিব নোৱৰাটো এক মানসিক ৰোগৰ লক্ষণ। আজি প্ৰায় প্ৰতিটো শিশুৱেই মোবাইলত ব্যস্ত। মোবাইল নোচোৱাকৈ ভাত নোখোৱা, মোবাইল চাইহে পঢ়িবলৈ বহা আদি অভ্যাসে শিশুৰ মাজত মাৰাত্মক ব্যাধিৰ ৰূপ লৈছে। ড্ৰাগছৰ দৰে ইয়েও প্ৰজন্মক ধ্বংস কৰিব পাৰে।

মনোৰোগ বিশেষজ্ঞ ডাঃ সংগীতা দত্তৰ মতে, এই তথ্য-প্ৰযুক্তিৰ যুগত শিশুৰ মন অপৰিপক্ক হোৱা বাবে ভাল-বেয়া বুজি নাপায়। তেওঁলোকৰ পৰিৱৰ্তন যোগাত্মক নে বিয়োগাত্মক সেয়া অভিভাৱকে লক্ষ্য ৰাখিব লাগিব।

ক’ভিডৰ লকডাউনৰ পিছৰ পৰা এই আসক্তি বেছি বৃদ্ধি পালে। অনলাইন ক্লাছৰ বাবে দিয়া মোবাইলটোৱেই পিছত শিশুৰ প্ৰিয় খেলনা হ’ল। গেম, ভিডিঅ’, কাৰ্টুন চাই অভ্যস্ত হোৱা শিশুৱে পিছত অভিভাৱকৰ কথা নামনা, ‘মোবাইল দিলেহে কাম কৰিম’ বুলি জেদ ধৰা আদি নেতিবাচক আচৰণ কৰিবলৈ ল’লে।

ইয়াৰ ফলত শিশুৰ শাৰীৰিক-মানসিক ক্ষতি হৈছে। একেৰাহে মোবাইল চোৱাৰ বাবে স্পণ্ডিলাইটিছ, দৃষ্টিশক্তি হ্ৰাস, মেদবহুলতা, খিংখিঙীয়া স্বভাৱ, স্মৃতিশক্তি হ্ৰাস, হতাশা আদি দেখা দিছে। ইউটিউব, যৌনগন্ধী বিষয়বস্তু, অনলাইন জুৱাৰ দৰে অপৰাধতো তেওঁলোক লিপ্ত হৈছে। বৈজ্ঞানিক মতে, অত্যধিক ৰেডিয়েশ্বনে মস্তিষ্কৰ হিপোকেম্পাছ সংকুচিত কৰে।

শিশুৱে জন্মতে মোবাইল শিকি নাহে, দেখি দেখি শিকে। অভিভাৱকে নিজৰ কামৰ সুবিধাৰ বাবে বা আমনিৰ পৰা বাচিবলৈ শিশুক মোবাইল দি এই আসক্তিৰ পথ মুকলি কৰে। সেয়ে দোষ কেৱল শিশুৰ নহয়।

**ইয়াৰ পৰা কেনেকৈ বচাব?**

ডাঃ দত্তই কয়, অভিভাৱকেই সন্তানৰ আদৰ্শ হ’ব লাগিব। দৈনিক ২-৩ ঘণ্টা গুণগত সময় দিব লাগিব, বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়িব লাগিব, সন্তানে ইণ্টাৰনেট কিমান ব্যৱহাৰ কৰিছে লক্ষ্য ৰাখিব লাগিব। ভাল কামৰ বাবে উৎসাহ আৰু মৰম দিব লাগিব আৰু সৰুৰে পৰা মূল্যবোধ শিকাব লাগিব।

শিশু ভগৱানৰ উপহাৰ। বিশেষকৈ মাতৃৰ ভূমিকা ইয়াত আটাইতকৈ বেছি। কাৰণ শিশুৱে দিনটোৰ বেছিভাগ সময় মাতৃৰ লগত কটায়। প্ৰহ্লাদ, ধ্ৰুৱৰ দৰে মাতৃৰ প্ৰভাৱতে সন্তান সৎ পথলৈ যায়। সেয়ে মাতৃসকলে সন্তানক আধুনিক প্ৰযুক্তিৰ কু-প্ৰভাৱৰ পৰা আঁতৰাই সুস্থ পৰিৱেশ দি ভাল মানুহ হিচাপে গঢ়ি তোলাটোৱে বৰ্তমানৰ আটাইতকৈ ডাঙৰ দায়িত্ব।

# বংশৰত বৈশ্য সন্মিলনীৰ অধিৱেশন সম্পন্ন

**ৰমেন ভৰালী, বংশৰ ঃ** অসম বৈশ্য সন্মিলনীৰ আহ্বান মৰ্মে সদৌ বংশৰ বৈশ্য সন্মিলনীৰ পূৰ্ণ সহযোগত যোৱা ২৭ ছেপ্তেম্বৰত কামৰূপ জিলা বৈশ্য সন্মিলনীৰ বাৰ্ষিক অধিৱেশনখনি বুৰঞ্জী প্ৰসিদ্ধ মহাপ্ৰভু শ্ৰীশ্ৰী ভৃঙ্গেশ্বৰ দেৱালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুযায়ী পুৱা ১০ বজাত অসম বৈশ্য সন্মিলনীৰ উপ-সভাপতি তথা জিলা কৃতী শিক্ষক ইন্দ্ৰ কান্ত বৈশ্যই পতাকা উত্তোলন কৰে। বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় সদস্য সুভাষ চন্দ্ৰ বৈশ্য আৰু শাখাৰ উপ-সভাপতি অজিত কুমাৰ বৈশ্যই। স্মৃতি তৰ্পণ কৰে বংশৰ শাখাৰ সম্পাদক ধনীৰাম বৈশ্যই। দিনৰ ১১ বজাৰ লগে লগে মুকলি সভাখন কেন্দ্ৰীয় সভাপতি পৰেশ চন্দ্ৰ বৈশ্য ই সভাপতিত্ব কৰে। সভাৰ আৰম্ভণিতে অনাতাঁৰ শিল্পী তৰুণ চন্দ্ৰ বৈশ্য, শিক্ষয়িত্ৰী বিভাৰাণী দাস বৈশ্য আৰু একাদশ শ্ৰেণীৰ ছাত্ৰী নিশাস্মিতা বৈশ্যই গীত পৰিৱেশন কৰি ৰাইজক আপ্লুত কৰে। সভাৰ আদৰণি ভাষণ দিয়ে শাখাৰ সভাপতি তথা ৰাজ্যিক কৃতী শিক্ষক ভগৱান বৈশ্যই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মুখ্য সম্পাদক অজান বৈশ্যই। বিশিষ্ট অতিথিদ্বয় অৱসৰী অধ্যক্ষ গোপাল চন্দ্ৰ বৈশ্য আৰু অৱসৰী আৰক্ষী বিষয়া তৰুণ চন্দ্ৰ বৈশ্যই বৈশ্য জাতিৰ ওপৰত সুন্দৰ ভাষণ ৰাখে। কেন্দ্ৰীয় সমিতিৰ মুখ্য সাংগঠনিক সম্পাদক নকুল চন্দ্ৰ বৈশ্যই কয়




যে বৈশ্য জাতিৰ একত্ৰিকৰণ, কৃষি, বাণিজ্য আৰু সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ আহ্বান জনায়। সমূহ কাৰ্যসূচীত আঁতধৰে আৰু শলাগৰ শৰাই আগবঢ়ায় ইন্দ্ৰ কান্ত বৈশ্যই। উল্লেখ্য যে কামৰূপ জিলা বৈশ্য সন্মিলনীৰ ২০২৬-২৭ বৰ্ষৰ বাবে ভগৱান বৈশ্যক সভাপতি (বংশৰ), যতীন বৈশ্যক (দলিবাৰী) আৰু ৰমেন বৈশ্যক (বাথান) উপ-সভাপতি, ৰমেন বৈশ্যক (উত্তৰ গুৱাহাটী) সম্পাদক, কিশোৰ বৈশ্য, বাবুল চন্দ্ৰ বৈশ্য, টংকেশ্বৰ বৈশ্য সহকাৰী সম্পাদক, ৰমেন বৈশ্যক (নিজ গন্ধমৌ) সাহিত্য, দেৱ দাস কাকতিক (শুৱালকুছি) সাংস্কৃতিক, কনোজ বৈশ্য আৰু শিৱপ্ৰসাদ বৈশ্যক তথ্য আৰু প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া শক্তিশালী জিলা সমিতি গঠন কৰে। উল্লেখ্য যে আগন্তুক ৫ অক্টোবৰত অসম বৈশ্য সন্মিলনীৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন গুৱাহাটী শংকৰ দেৱ কলাক্ষেত্ৰৰ নীলমনি ফুকন প্ৰেক্ষাগৃহত অনুষ্ঠিত হ’ব বুলি কেন্দ্ৰীয় সমিতিয়ে এই প্ৰতিবেদকক জানিবলৈ দিছে।

# হয়বৰগাঁৱত বিনামূলীয়া চকু অস্ত্ৰোপচাৰ শিবিৰ সম্পন্ন

## ৪৭ গৰাকী চকুত ছানি পৰা ৰোগীক বিনামূলীয়াকৈ কৰা হ’ব অস্ত্ৰোপচাৰ




**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** নগাঁও গ্ৰেটাৰ লায়ন্স ক্লাব আৰু নগাঁও গ্ৰেটাৰ লায়ন্স চেৰিটেবল ট্ৰাষ্টৰ সৌজন্যত যোৱা ২৭ ছেপ্টেম্বৰত হয়বৰগাঁওস্থিত নগাঁও গ্ৰেটাৰ লায়ন্স চাৰ্ভিছ চেণ্টাৰত এটি বিনামূলীয়া চকু অস্ত্ৰোপচাৰ শিবিৰ অনুষ্ঠিত হৈ যায়। শিবিৰত ১১০ গৰাকী ৰোগীৰ চকু পৰীক্ষা-নিৰীক্ষা কৰা হয় আৰু ইয়াৰে ৪৭ গৰাকী ৰোগীৰ চকুত ছানি পৰা (কেটেৰে) পৰা বুলি নিশ্চিত হয়। উক্ত ছানি পৰা ৰোগীসকলক দুটা পৰ্যায়ত গুৱাহাটী লায়ন্স চকু চিকিৎসালয়ত সুদক্ষ চকু চিকিৎসকৰ দ্বাৰা বিনামূলীয়াকৈ লেন্স পদ্ধতিৰে (I.O.L.) অস্ত্ৰোপচাৰ কৰা হ’ব। ইয়াৰে প্ৰথমটো দল অহা ১২ অক্টোবৰত অস্ত্ৰোপচাৰৰ বাবে পঠোৱা হ’ব বুলি নগাঁও গ্ৰেটাৰ লায়ন্স ক্লাবৰ সভাপতি ডাঃ কাঞ্চনবালা বৰা, সম্পাদক কুসুম সেঠীয়া, চাৰ্ভিছ চেয়াৰমেন আকাশ খাদৰিয়া, ললিত কুমাৰ কোঠাৰী প্ৰমুখ্যে বিষয়ববীয়াসকলে জনাইছে। অনুষ্ঠিত শিবিৰত গুৱাহাটী লায়ন্স চকু চিকিৎসালয়ৰ চিকিৎসা বিশেষজ্ঞ দেৱাজন শৰ্মাৰ লগতে পলাশ কলিতা, মণ্টু দাস প্ৰমুখ্যে চকু চিকিৎসা কৰ্মী দলে পৰীক্ষা-নিৰীক্ষা কৰে। উল্লেখ্য যে নগাঁও গ্ৰেটাৰ লায়ন্স ক্লাব আৰু নগাঁও গ্ৰেটাৰ লায়ন্স চেৰিটেবল ট্ৰাষ্টৰ সৌজন্যত এনেদৰে প্ৰতি বছৰে তিনি বা চাৰিটা বিনামূলীয়া চকু অস্ত্ৰোপচাৰ শিবিৰ আয়োজন কৰি আহিছে আৰু বিগত ৩০ বছৰে চকুত ছানি পৰা কেইবা হাজাৰ ৰোগীক বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰি অহা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# শিলপোতাবৰীত চামতা এফ চি চেম্পিয়ন




**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** গুৱাকুছি ক্ৰীড়া সন্থাৰ উদ্যোগত গুৱাকুছি- শিলপোতাবৰী খেলপথাৰত অনুষ্ঠিত হাছমত আলী আৰু ৰুস্তম আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ কালি নিশা ৮ - ৩০ বজাত অনুষ্ঠিত ফাইনেল খেলখনত নলবাৰী এলিভেন ষ্টাৰ আৰু চামতা এফ চিৰ মাজত অনুষ্ঠিত হয়। জ্যেষ্ঠ সাংবাদিক তথা প্ৰতিবিম্ব লাইভৰ পৰিচালন সঞ্চালক তফিক উদ্দিন আহমেদে উদ্বোধন কৰা তীব্ৰপ্ৰতিদ্বন্দ্বিতা মূলক ফাইনেলখনত নলবাৰী এলিভেন ষ্টাৰ ক্লাৱক ১-০ গ’লৰ ব্যৱধানত পৰাস্ত কৰি চামতা এফ চিয়ে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অসম টাইমৰ মুখ্য সম্পাদক এম মহিবুৰ ৰহমানে। ফাইনেল খেলখন পৰিচালনা কৰে ৰাহুল আলীয়ে। তেওঁক লাইনত সহায় কৰে মতিউৰ ৰহমান আৰু তফিকুৰ ৰহমানে। চতুৰ্থ ৰেফাৰীৰ আসনত থাকে ৰৱেল আলীয়ে। খেলৰ অন্তত খেল পৰিচালনা সমিতিৰ সভাপতি মহনুৰ আলীৰ সভাপতিত্বত আৰু সম্পাদক চামচুল আলমে আঁত ধৰা বঁটা বিতৰণী সভাখনত বিজয়ী দল চামতা এফ চিক নগদ ১৫ হাজাৰ টকাৰ লগতে চূড়ান্ত ট্ৰফী প্ৰদান কৰাৰ বিপৰীতে আৰু বিজেতা দল নলবাৰী ষ্টাৰ ক্লাৱক নগদ ১০ হাজাৰ টকাৰ লগতে চূড়ান্ত ট্ৰফী প্ৰদান কৰা হয়।

# হালোগাঁৱত ভকতৰাম ভাণ্ডাৰকায়স্থ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত বামুন্দী ক্ৰীড়া সন্থা চেম্পিয়ন



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত হালোগাঁও ক্ৰীড়া সন্থা আৰু হালোগাঁও যুৱ মঞ্চৰ যৌথ উদ্যোগত ১২ ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত হোৱা ভকতৰাম ভাণ্ডাৰকায়স্থ সোঁৱৰণী সদৌ অসম প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। ২৬ ছেপ্টেম্বৰত নিশা ফ্লাড লাইটতৰ পোহৰত প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজাৰা বয়জ ক্লাব আৰু বামুন্দী ক্ৰীড়া সন্থাৰ মাজত অনুষ্ঠিত হয়। খেলৰ আৰম্ভণিতে অসম কণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। অসমৰ ক্ৰীড়া বিভাগৰ মন্ত্ৰী বিশ্বজিত দৈমাৰীয়ে ফাইনেন খেলখনৰ উদ্বোধন কৰে। ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ পিছতে দুয়ো দলৰ খেলুৱৈসকলে খেল পথাৰত প্ৰৱেশ কৰা দৃশ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰা দেখা যায়। খেলৰ আৰম্ভণিৰে পৰা দুয়ো দলৰ খেলুৱৈ সকলে নিজৰ দলক বিজয় প্ৰদান কৰিবলৈ উঠি পৰি লাগে। খেলৰ প্ৰায় ১৮ মিনিটত বামুন্দী ক্ৰীড়া সন্থাই প্ৰথমটি গল দি দলক অগ্ৰগতি প্ৰদান কৰে। তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত দুয়ো দলৰ আক্ৰমণ প্ৰত্যাক্ৰমণত দৰ্শক সকল যথেষ্ট উত্তেজিত হৈ পৰা পৰিলক্ষিত হয় যদিও আজাৰা বয়জ ক্লাবৰ খেলুৱৈ এগৰাকীয়ে বিধি নিষিদ্ধ আচৰণ কৰাত ৰেড কাৰ্ডৰ সন্মুখীন হয়। যাৰ ফলত ১০ গৰাকী খেলুৱৈৰে আজাৰা বয়জ ক্লাবে খেলিব লগীয়া হয়। খেলৰ দ্বিতীয়াৰ্ধত পুনৰ বামুন্দী ক্ৰীড়া সন্থাই দ্বিতীয়টো গল দিয়াত খেলখন সম্পূৰ্ণ ৰূপে বামুন্দী ক্ৰীড়া সন্থাৰ দখললৈ যায় আৰু ২-০ গলৰ ব্যৱধানত বামুন্দী ক্ৰীড়া সন্থাই জয় লাভ কৰে। খেলত উপস্থিত থাকে 'দাপোন' কাকতৰ মুখ্য সম্পাদক দিনমণি ভাণ্ডাৰ কায়স্থ,শিক্ষাবিদ সূৰ্যকান্ত কলিতা, অসমীয়া বোলছবিৰ প্ৰযোজক তথা যুৱ নেতা হেমন্ত কলিতা, যুৱ নেতা ৰাজীৱ দাস প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট।

# কামৰূপ জিলা ছাত্ৰ সন্থাৰ এটি সঁজাতি দলে নিজ গন্ধমৌ অঞ্চলৰ গো চৰণীয়া পথাৰ আৰু গ্ৰেজিং ৰিজাৰ্ভ পৰিদৰ্শন

**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ পূব বংশৰ মৌজাৰ নিজ-গন্ধমৌ গাঁৱৰ ২৫৪ নম্বৰ দাগৰ ৫০৪ বিঘা চৰকাৰী ভিজিআৰ ভূমি সংৰক্ষণৰ পৰা মুক্ত কৰি ঔদ্যোগিক ক্ষেত্ৰ স্থাপনৰ বাবে আবণ্টন দিয়াত কেবিনেটে অনুমোদন জনায়। ইয়াৰ পৰিৱৰ্তে হাজো ৰাজহ চক্ৰৰ পশ্চিম বংশৰ মৌজাৰ ৫০৪ বিঘা চৰকাৰী ভূমি ভিজিআৰ হিচাপে সংৰক্ষণ কৰা হ'ব। অৰ্থাৎ সংৰক্ষণৰ পৰা মুক্ত কৰা ভূমিৰ সমপৰিমাণৰ ভূমি পুনৰ ভিজিআৰ হিচাপে সংৰক্ষিত হৈ থাকিব। চৰকাৰৰ এই সিদ্ধান্ত ঘোষণা হোৱাৰ পিছতে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ এটি সঁজাতি দলে নিজ গন্ধমৌ অঞ্চলটোৰ গো চৰণীয়া পথাৰখন আৰু গ্ৰেজিং ৰিজাৰ্ভ পৰিদৰ্শন কৰে। পৰিদৰ্শন কাৰী আছুৰ সঁজাতি দলটোত উপস্থিত আছিল সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, উপ-সভাপতি সুৰজিৎ কলিতা, ৰিংকুমণি দাস, কাৰ্যালয় সম্পাদক নয়নজ্যোতি বনিয়া, সাংস্কৃতিক সম্পাদক ৰুবুল কলিতা, জিলা কাৰ্যনিৰ্বাহক সদস্য বিকাংক দাস, ২ নং পূৱ বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি সুনীল বৈশ্য, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চুমিত নাথ, বিত্ত সম্পাদক হৃষীকেশ দাস।সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাসে ৰিজাৰ্ভখন পৰিদৰ্শন কৰি অসম চৰকাৰক দাবী জনায় যে অতীতৰ পৰাই গন্ধমৌ



অঞ্চলৰ লোকসকলে এই গো চৰণীয়া পথাৰত গৰু, ছাগলী চৰাই জীৱিকা নিৰ্বাহ কৰি আছে। চৰকাৰে যদি এই সংৰক্ষিত এলেকাত উদ্যোগ স্থাপন কৰে, তেনেহ'লে ইয়াৰ ৰাইজৰ গৰু, ছাগলী চৰাবলৈ যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব আৰু অঞ্চলটোৰ জৈৱ বৈচিত্ৰ্যৰ ক্ষেত্ৰত ভৱিষ্যত দিনত সমস্যা হ'ব। তেওঁ কয় যে ছাত্ৰ সন্থা উন্নয়নৰ বিৰোধী নহয় কিন্তু ভৱিষ্যত দিনৰ কথা চিন্তা কৰি, কৃষিজীৱি ৰাইজৰ মতামত গ্ৰহণ কৰি আৰু প্ৰাকৃতিক পৰিৱেশ বিনষ্ট নকৰাকৈ চৰকাৰে পদক্ষেপ লোৱা উচিত। উদ্যোগ নিৰ্মাণ হওঁক কিন্তু গো চৰণীয়া পথাৰখন সম্পূৰ্ণ ৰূপে সংৰক্ষিত কৰি হওঁক। অঞ্চলটোৰ ৰাইজৰ ভৱিষ্যত সুৰক্ষিত হ'ব লাগিব।

# শিৱসাগৰ জিলা কৃষি ভৱনত ৰবি শস্যৰ বাবে কৃষি সামগ্ৰী বিতৰণ কাৰ্যসূচী

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা কৃষি কাৰ্যালয়ৰ উদ্যোগত CSS-ATMA, 2026-271 অধীনত ৰবি শস্যৰ বাবে কৃষি সামগ্ৰী বিতৰণৰ এক আনুষ্ঠানিক কাৰ্যসূচী ২৮ ছেপ্তেম্বৰত জিলা কৃষি ভৱন, শিৱসাগৰত অনুষ্ঠিত হয়। উল্লেখ্য যে, শিৱসাগৰ জিলা কৃষি বিষয়া অমৃত শইকীয়াই উদ্বোধনী ভাষণেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত কৃষি বিষয়াগৰাকীয়ে কৃষকসকলক চৰকাৰী কৃষি আঁচনি আৰু প্ৰযুক্তিগত সহায়ৰ সুবিধা গ্ৰহণ কৰি অধিক উৎপাদনশীল, ব্যৱসায়িকভিত্তিক কৃষি ব্যৱস্থাৰ দিশে আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানটিত আটমাৰ উপ-সঞ্চালক ৰুনীমা মিলি, সহকাৰী কৃষি সঞ্চালক ৰুমী বৰা, গণেশ পছুচুঙীৰ লগতে DPD 2 তথা আটমাৰ অনান্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত




থাকে। কাৰ্যসূচীৰ অংশ হিচাপে ৰবি শস্যৰ নিৰ্বাচিত কৃষকসকলৰ মাজত প্ৰয়োজনীয় কেপচিকাম, বিলাহী আৰু ৰঙালাওৰ বীজ বিতৰণৰ লগতে কৃষকসকলক অন্যান্য কৃষি সামগ্ৰীও বিতৰণ কৰা হয়।

# শিঙিমাৰীত বৈধ আৰু অবৈধ সুৰাৰ দোকান সমূহ বন্ধ কৰাৰ দাবীত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰক স্মাৰক-পত্ৰ প্ৰদান



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ পূব বংশৰ মৌজাৰ অন্তৰ্গত শিঙিমাৰীত বৈধ আৰু অবৈধ সুৰাৰ দোকান সমূহ বন্ধ কৰাৰ দাবীত যোৱা ২৮ চেপ্তেম্বৰত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস আৰু সাধাৰণ সম্পাদক তৌফিকুৰ ৰহমান স্বাক্ষৰিত স্মাৰক-পত্ৰত জিলা ছাত্ৰ সন্থাই স্পষ্টভাৱে প্ৰকাশ কৰে বৈধ আৰু অবৈধ সুৰা বিপনী সমূহৰ ফলত অঞ্চলটোৰ সামাজিক পৰিৱেশত বিভিন্ন ধৰণৰ অসুবিধাৰ সৃষ্টি হৈছে। বিশেষকৈ বিদ্যালয়, ধৰ্মীয় অনুষ্ঠান, বজাৰ আৰু জনবসতিপূৰ্ণ এলেকাৰ ওচৰত সুৰাৰ বিপনী থকাৰ বাবে সাধাৰণ ৰাইজ, মহিলা, শিশু আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত বিৰূপ প্ৰভাৱ পৰাৰ আশংকা বৃদ্ধি পাইছে। ইয়াৰ উপৰিও সুৰাপানৰ ফলত পাৰিবাৰিক অশান্তি, পথ দুৰ্ঘটনা, জনশৃংখলাৰ বিঘিনি আদি বিভিন্ন সামাজিক সমস্যাৰ সৃষ্টি হ'ব পাৰে। সেয়ে জনসাধাৰণৰ স্বাৰ্থ, সামাজিক শান্তি আৰু নিৰাপত্তা ৰ প্ৰতি লক্ষ্য ৰাখি বিপণী সমূহৰ অনুমতি আৰু স্থানীয় বিধি বিধান সমূহ পৰীক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাটো অতি জৰুৰী। বিষয়টো বিবেচনা কৰি বৈধ আৰু অবৈধ সুৰাৰ বিপনী সমূহ বন্ধ ৰখাৰ বাবে কামৰূপ জিলা ছাত্ৰ সন্থাই জিলা প্ৰশাসনৰ ওচৰত দাবী উত্থাপন কৰিছে। স্মাৰক-পত্ৰ প্ৰদান কাৰ্যসূচীত উপস্থিত থাকে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, কাৰ্যালয় সম্পাদক নয়নজ্যোতি বনিয়া, জিলা কাৰ্যনিৰ্বাহক সদস্য নয়ন বৈশ্য, ২ নং পূৱ বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভাপতি সুনীল বৈশ্য, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চুমিত নাথ।

# অসম আন্দোলনৰ সক্ৰিয় কৰ্মী , অভিনেতা ভদ্ৰেশ্বৰ শৰ্মাৰ বিয়োগ



**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ পূৱ শালমৰা নিৱাসী, বিশিষ্ট সামাজিক আৰু সাংস্কৃতিক কৰ্মী, সুসংগঠক, অসম আন্দোলনৰ এগৰাকী সাহসী আৰু সংগ্ৰামী কৰ্মী, অংকীয়া ভাওনাৰ শিল্পী, অভিনেতা ভদ্ৰেশ্বৰ শৰ্মাৰ বৈকুণ্ঠগামী হয়। বহুদিন ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ ঘৰতে চিকিৎসাধীন হৈ থকা শৰ্মাৰ যোৱা ২৪ ছেপ্তেম্বৰ তাৰিখ বৃহস্পতিবাৰে পুৱা ৫-৩০ বজাত নিজা বাসগৃহতে মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৯ বছৰ। ভদ্ৰেশ্বৰ শৰ্মা অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ সক্ৰিয় কৰ্মী হোৱাৰ লগতে এগৰাকী সমাজকৰ্মী আৰু সু-অভিনেতাৰূপে পৰিচিত আছিল। অসম গণ পৰিষদ চৰকাৰৰ দিনত তেখেতে ফুলগুৰি গাঁও পঞ্চায়তৰ কাউঞ্চিলাৰ হিচাপে থাকি অঞ্চলৰ যথেষ্ট জনকল্যাণমূলক কাম কৰি থৈ গৈছে। ইয়াৰ উপৰি তেখেত এজন ধৰ্মপৰায়ণ ব্যক্তি, সামাজিক মূল্যবোধ সম্পন্ন মানৱদৰদী আৰু পৰোপকাৰী লোক আছিল। সমাজপ্ৰিয় ব্যক্তিগৰাকীৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী উমেশ চন্দ্ৰ দাস, ফুলগুৰি আঞ্চলিক ৰাস মহোৎসৱ উদ্‌যাপন সমিতি, নেহৰু ক্লাব আৰু অলকানন্দা পুথিভঁৰাল, পূৱ শালমৰা, ফুলগুৰি আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতি, ফুলগুৰি আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন সমিতিকে ধৰি বহু সংস্থা-সংগঠনৰ প্ৰতিনিধিৰ উপৰি ফুলগুৰি আঞ্চলিক ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি মহেশ্বৰ গোস্বামী, কাৰ্যকৰী সভাপতি দিজু মিশ্ৰ, ৰিপণ বাগীশ, অৰূপ কুমাৰ ডেকা, ববিতা মেধি শৰ্মা, অনিমা মিশ্ৰ, অমৃত প্ৰৱৰ শৰ্মা, মৃদুপৱন মেধি, দুষ্মন্ত দুলাল বাগীশ, দিব্যজ্যোতি মেধি, নৱজ্যোতি মেধি, ৰত্নদ্বীপ শৰ্মা, ভাস্কৰ শৰ্মা, মঞ্চ আৰু ভাস্কৰ্য শিল্পী ধ্ৰুৱ কুমাৰ ৰাজা (মান্না ৰাজা), ৰাজীৱ বাগীশ, কল্যাণ বাগীশকে ধৰি গণ্য-মান্য ব্যক্তিসকলে তেওঁৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পণ কৰি শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত শৰ্মাই পত্নী, পুত্ৰ, বোৱাৰীয়েক আৰু এগৰাকী কন্যাক ইহ সংসাৰত এৰি থৈ যায়। সমাজকৰ্মী ব্যক্তিগৰাকীৰ মৃত্যুত সমগ্ৰ শালমৰা অঞ্চলত শোকৰ ছাঁ পৰিছে।

## চোতালৰ দুবৰি

**ৰশ্মি ৰেখা দুৱৰা**
ডিব্ৰুগড়

সেউজীয়া দলিচা পাৰি বহি আছ,
হাজাৰজনৰ ভৰিৰ গচকত
মূৰ দাঙি চাব খুজিও মৌন হৈ
মাটিৰ বুকুতেই খামুচি ধৰি শুই পৰ।
কোনেও নুসুধে তোক, কিমান বিষ নীৰৱে সহিছ।
ৰ'দে পোৰা, বৰষুণত তিতা কোমল দেহাটো
জীয়াই থকাৰ হেঁপাহত
জীৱনৰ প্ৰতিটো মুহূৰ্ত যুঁজ কৰি আছ
সহজে মৰিব নুখোজ।
তই কেৱল মাটিৰ বুকুত মিলি থকা
এজোপা সৰু ঘাঁহ নহয়,
তই ঔষধী গুণৰ অধিকাৰী।
তয়েই চোতালৰ সৌন্দৰ্য বঢ়াওঁ
কিন্তু নিজৰ গুণ বখানি থকাৰ
তোৰ কোনো অভ্যাস নাই।
মানুহৰ জীৱনটো তোৰ দৰে,
ভৰিৰে গচকি অৱহেলা কৰে
সহজে তোৰ মূল্য বুজিব কোনোৱে নোৱাৰে।
তথাপিও প্ৰকৃতিৰ সেউজীয়া ৰং হেৰাই নাযায়
তোৰ বুকুতেই আঁকোৱালি লয়,
মূল্য ৰূপেৰে নিৰ্ধাৰণ নহয়
গুণেৰেহে হয়।

সৰু দুৰ্বল বুলি নাভাবিবি
দুৰ্বল ভবাজনেই আটাইতকৈ শক্তিশালী।
অপমানৰ মাজতো যিজনে শেষ নহৈ
নিজৰ স্থিতি গঢ় লয়
সেইজনেই শ্ৰেষ্ঠ।

তই মোক ডাঙৰ শিক্ষা দিলি,
অৱহেলাতো নিজৰ গুণ ধৰি ৰাখিবলৈ
ভৰিৰে গচকিলেও প্ৰতিশোধ নল'বলৈ
মাটিৰ বুকুত খোপনি পুতি
জীৱনৰ কঠিন সময়তো
নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ।



## কাব্য-মৰ্যাদা আৰু সুবাস

**শচীন্দ্ৰ কুমাৰ দাস,** পলাশবাৰী

তিনিজন কবি গ'ল অতিথিৰ আলয়,
দুজনে কৰিলে সুৰা সেৱন।
কাব্যিক মৰ্যাদা যাতে ক্ষুণ্ণ কভু নহয়,
গৃহস্থই ধূপ জ্বলাই কৰিলে যতন।
মোহগ্ৰস্ত দুজনেতো একোকে নুবুজিলে,
প্ৰজ্ঞাবান কবিয়েহে সত্য অনুভৱ কৰিলে।
তেওঁ বুজি পালে- এয়াই কবিৰ প্ৰকৃত সন্মান,
'আমাৰ গৌৰৱ ৰাখিবলৈহে গৃহস্থৰ এই সুবাস দান'

**ম'বাইল ঃ** ৮৪০৩৮-৩৫০৪৮

## আমাৰ গুৰু

**অনামিকা (সংগীতা) কলিতা,**
শুৱালকুছি

ঘন ঘোৰ অমানিশা
কালৰূপ বিনাশী
বোৱলা বৈকুণ্ঠ প্ৰেমৰ
অমৃতৰ নদী।
আধ্যাত্মিক জ্ঞানে কৰে সংযমী
একাত্মবোধেই জগতৰ শান্তি
গুৰু, দেৱ, নাম, ভকত
একতাৰ শিকলিৰে বান্ধি -
শৰণ, ভজন, নাম প্ৰসংগ
ঈশ্বৰ ভক্তি মাৰ্গৰ সাগৰ সিঁচি মুকুতা দিলা।
ভুৰুকাত হাটী ভৰাই গুণমান ৰচিলা।
সৰ্বগুণাকৰ তুমি আমাৰ গুৰু
'শ্ৰীমন্ত শঙ্কৰদেৱ'...।

## মৰ্ম

**মুকুল জয়ন্ত**

জাকৰ পিছ পৰা
দামুৰিটোৰ দৰে নদৌৰে
চাৰিবেৰৰ আবিয়ৈ ছোৱালী
ক্লাছ নাইনত
জীয়ৰীৰ নাম বন কৰা।

## মাছমৰা চলেৰে

**ৰশ্মি ৰেখা দুৱৰা**
ডিব্ৰুগড়

অসহ্য গৰমত বিলখনৰ পানী শুকাল
গেলা গোন্ধত কাষেৰে পাৰ হ'ব নোৱাৰি,
গেলা মাছ কিম্বা ভেকুলী।
কান্ধত জাল, কঁকালত খালৈ লৈ
মুখত এটি মিচিকিয়া হাঁহি বুলাই
বিলৰ দিশে খৰটকীয়া খোজ।
পথাৰৰ মাজৰ চতিয়না গছৰ তলত
কঁকালত খালৈটো বান্ধি,
জাকৈখন কাষতে থৈ এগৰাকী লচপচী।
এসোপামান মনৰ কথা
অতদিনে লগ নোপোৱাৰ অবুজ বেদনা,
প্ৰাণখুলি বান্ধি লৈছে সুখৰ টোপোলা।
স্ফূৰ্তি মনে ঘৰলৈ উভতিল
খালৈত মাছ নাই,
জাল, জাকৈ, খালৈ শুকান।
পানীত নিতিতিল।

## জীৱন আগুৱাই যায়...

**দেৱজিত হাজৰিকা,**
নগাওঁ

সময়বোৰ চোন
আগুৱাই যায় সংগোপনে
যৌৱনৰ মাদকতা চোন
ধীৰে ধীৰে হেৰাই যায়
অন্তহীন আশাবোৰ যে
নিতৌ বাঢ়ি বাঢ়ি যায়।

পোৱা নোপোৱাৰ দোমোজাতেই
জীৱনৰ ৰথ আগুৱাই
দিনক দিনে এই ভ্ৰষ্টাচাৰ
হিংসা, লুণ্ঠন, হত্যা বাঢ়ি যায়
কেতিয়াকৈ যে পাব জনতাই
আকৌ শান্তি ঘূৰাই।

আশাৰ প্ৰছাঁয়াতেই
আমিবোৰ যে আছোঁ জীয়াই
শীতৰ বোকোচাত সৰি গ'লেও
কুঁহিপাত আকৌ ওলায়
নতুন জীৱনৰ আশাতেই বন্দী
আমি যে নিৰূপায়।

## এবুকু নীৰৱ জোনাক

**মৃদুলা বৰুৱা,** তেজপুৰ

বহু নিসংগতাৰ পাছত
মোৰ অসমাপ্ত কবিতাবোৰত
তোমাৰ এমুঠি মৰমৰ বাসনা,
মই নজনাকৈয়ে
তুমি বিয়পি পৰিছা মোৰ বুকুত
এজাক ৰঙীন সপোন হৈ,
শূন্যতাই মেৰিয়াই থোৱা সময়বোৰো
এতিয়া তোমাৰ নামত উৎসৰ্গা,
ক'ব নোৱাৰাকৈয়ে
মোৰ অনুকম্পিত আঙুলিকেইটা
ম'বাইল স্ক্ৰীনত থমকি ৰয়
টাইপ কৰোঁ মোৰ ঘন উশাহবোৰ,
দুটি ওঁঠত কোনেও নুশুনা সুৰত
বৈ যায় এবুকু নীৰৱ জোনাক
আৰু মোৰ মনৰ পদূলিত
শেৱালীৰ দৰে গোন্ধাই থাকা তুমি।

# জামুগুৰিহাটৰ টুপীয়াত মূঢ়াদল সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ টুপীয়া সমবায় সমিতিৰ কাৰ্যালয় প্ৰাঙ্গণত মঙলবাৰে আয়োজিত মূঢ়াদল সমবায় সমিতি লিমিটেডৰ ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাভাগ সফলৰূপে সম্পন্ন হয়। মূঢ়াদল সমবায় সমিতি লিমিটেডৰ সম্পাদক তথা সদৌ অসম গাঁও পঞ্চায়ত সমবায় সমিতিৰ ৰাজ্যিক সভাপতি তপন শৰ্মাই আঁত ধৰা বাৰ্ষিক সভাত সভাপতিৰ আসন অলংকৃত কৰে মূঢ়াদল সমবায় সমিতি লিমিটেডৰ সভাপতি নৰ বাহাদুৰ বনিয়াই। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে সমবায় বিভাগৰ পৰ্যবেক্ষপ আনোৱাৰ উদ্দিন আহমেদ, দক্ষিণ মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি মানস হাজৰিকা, পূব মূঢ়াদল গাঁও পঞ্চায়তৰ সভানেত্ৰী মেঘালী কলিতা, মূঢ়াদল সমবায় সমিতিৰ উপ-সভাপতি বাসুদেৱ গৌতম, মূঢ়াদল সমবায় সমিতিৰ আভ্যন্তৰীণ হিচাপ পৰিক্ষক জিত বাহাদুৰ নেৱাৰ, মাধৰাম দাসৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে। মূঢ়াদল সমবায় সমিতিৰ মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত কৰা ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাত বিস্তৃত কাৰ্যসূচী মৰ্মে প্ৰথমে যোৱা বছৰৰ সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু গৃহীত কৰণ, সঞ্চালক মণ্ডলীৰ হৈ সম্পাদকৰ বাৰ্ষিক কাৰ্যকৰী প্ৰতিবেদন পাঠ আৰু গ্ৰহণ, ২০২৫-২৬ বৰ্ষৰ সমিতিৰ বছৰেকীয়া হিচাব দাখিল ও উদ্ধৃত পত্ৰ আলোচনা আৰু গ্ৰহণ, ২০২৫-২৬ বৰ্ষৰ আভ্যন্তৰীণ হিচাব পৰীক্ষকৰ প্ৰতিবেদন পাঠ আৰু গ্ৰহণৰ লগতে ৰেচন কাৰ্ডৰ নতুন নিয়মাৱলীৰ বিষয়ে আলোচনা কৰি মূঢ়াদল সমবায় সমিতি লিমিটেডৰ সকলো অংশীদাৰীসকলক বুজাই দিয়া হয়। সভাত অঞ্চলৰে জ্যেষ্ঠ ব্যক্তিসকলৰ লগতে মূঢ়াদল সমবায় সমিতি লিমিটেডৰ সকলো অংশীদাৰসকল উপস্থিত থাকে।

# প্লাৱন আৰু প্ৰাণৰ স্পন্দন

**■ দীপশিখা শৰ্মা,** দৰং

**অ**ংকুৰে মোবাইলৰ স্ক্ৰীণখনত আঙুলিৰে স্ক্ৰ'ল কৰি গৈছিল। ফেচবুক, ইনষ্টাগ্ৰাম- সকলোতে কেৱল একেটাই ছবি। মথাউৰি ভাঙি সোমাই অহা লুইতৰ খঙাল পানী, চালিৰ ওপৰত আশ্ৰয় লোৱা কেঁচুৱা কোলাত থকা মাতৃ আৰু উটি যোৱা পোহনীয়া জীৱ-জন্তু। অসমৰ এই বানপানীৰ ৰূপ নতুন নহয়। প্ৰতি বছৰে এই একেই কৰুণ দৃশ্য, একেই আৰ্তনাদ। এয়া যেন অসমীয়া জীৱনৰ এক চিৰাচৰিত আৰু নিষ্ঠুৰ সত্য। খিৰিকীৰে বাহিৰলৈ চাই অংকুৰে ভাবিলে, 'প্ৰকৃতিৰ এই প্ৰকোপক জানো আমি সম্পূৰ্ণৰূপে ৰোধ কৰিব পাৰোঁ? নোৱাৰোঁ। কিন্তু এই দুৰ্যোগৰ সময়ত ঘৰৰ ভিতৰত বহি কেৱল ছ'চিয়েল মিডিয়াত দুখ প্ৰকাশ কৰিলেই জানো কৰ্তব্য শেষ হ'ব?' মনৰ ভিতৰত জাগি উঠা এই প্ৰশ্নটোৱেই অংকুৰক ক্ষান্ত হৈ থাকিবলৈ নিদিলে। সি তাৰ বন্ধু বৃত্তক একত্ৰিত কৰিলে। সকলোৱে মিলি টকা-পইচা, শুকান খাদ্য, কাপোৰ আৰু দৰৱ সংগ্ৰহ কৰি এখন বানাক্ৰান্ত গাঁৱৰ দিশে যাত্ৰা কৰিলে। যিখন গাঁৱত তেওঁলোক উপস্থিত হ'ল, তাৰ দৃশ্য আছিল হৃদয়বিদাৰক। মথাউৰিৰ ওপৰত থকা অস্থায়ী আশ্ৰয় শিবিৰটোত ত্ৰিপালৰ তলত শ শ মানুহে আশ্ৰয় লৈছে। চাৰিওফালে কেৱল পানী আৰু পানী। তাতেই অংকুৰৰ চিনাকী হ'ল ধনীৰাম ককাইৰ সৈতে। বয়সৰ ভৰত কঁকাল হালি পৰা ধনীৰাম ককায়ে এটা সৰু মতা ছাগলী কোলাত লৈ বহি আছিল। অংকুৰে যেতিয়া ককাইক সাহায্যৰ পেকেট এটা আগবঢ়াই দিলে, ককাইৰ চকু দুটা সেমেকি উঠিল। ককায়ে ক'লে, 'বোপা, এই বানপানী আমাৰ বৰ পুৰণি চিনাকী। আমাৰ আজোককাৰ দিনৰ পৰাই এই লুইতে আমাক কন্দুৱাই আহিছে। প্ৰকৃতিক ভেটিবলৈ কাৰ সাধ্য আছে? বানে আমাৰ ঘৰ-দুৱাৰ, খেতি-বাতি সকলো লৈ যায়...' ককায়ে অলপ ৰৈ বুকুখন ফিন্দাই আকৌ ক'লে, 'কিন্তু বানে আমাৰ মনৰ বল আৰু অসমীয়াৰ হেঁপাহ লৈ যাব নোৱাৰে। এই যে তহঁত চহৰৰ ল'ৰাবোৰ আমাৰ কাষলৈ লৰি আহিছ, ইয়াৰ বাবেই আমি আকৌ জীয়াই থকাৰ সাহস পাওঁ।' ধনীৰাম ককাইৰ কথাই অংকুৰৰ বুকুত জোকাৰণি তুলিলে। সঁচাকৈয়ে, এই সংকটৰ সময়ত ধৰ্ম, জাতি বা চহৰ-গাঁৱৰ ভেদাভেদ পাহৰি ইজনে সিজনক সহায় কৰাটোৱেই মানৱতাৰ আটাইতকৈ ডাঙৰ পৰিচয়। সেই একেটা শিবিৰতে অংকুৰে লগ পালে গাঁৱৰে স্কুলীয়া শিক্ষয়িত্ৰী প্ৰীতি বৰুৱাক। ত্ৰিপালৰ এখন সৰু চালিৰ তলত প্ৰীতিয়ে গাঁৱৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰক একত্ৰিত কৰি সাধু শুনাই আছিল, যাতে সিহঁতৰ মনৰ পৰা বানপানীৰ ভয় আৰু দুখ দূৰ হয়। প্ৰীতিৰ এই প্ৰচেষ্টাই অংকুৰক আকৰ্ষিত কৰিলে। অংকুৰৰ সৈতে কথা পাতোঁতে প্ৰীতিয়ে এটা গুৰুত্বপূৰ্ণ কথা ক'লে, 'অংকুৰ, বানপানীক আমি হয়তো চিৰদিনৰ বাবে বন্ধ কৰিব নোৱাৰোঁ, কাৰণ এয়া ভৌগোলিকভাৱে আমাৰ প্ৰকৃতিৰ এক অংশ। কিন্তু আমি ইয়াক প্ৰতিহত কৰিবলৈ সাজু হ'ব পাৰোঁ। বিজ্ঞানসন্মত মথাউৰি নিৰ্মাণ, নদীৰ গভীৰতা বৃদ্ধি, বনাঞ্চল ধ্বংস ৰোধ কৰা আৰু আগতীয়া সতৰ্কতাৰ জৰিয়তে আমি ক্ষয়-ক্ষতি বহুখিনি কমাব পাৰোঁ। আমাক কেৱল সাময়িক আৱেগ বা কেৱল সাহায্য বিতৰণ নহয়, এটা দীৰ্ঘম্যাদী বৈজ্ঞানিক পৰিকল্পনাৰ প্ৰয়োজন।' প্ৰীতিৰ কথাত এক গভীৰ সত্য লুকাই আছিল। প্ৰকৃতিৰ নিয়মক সলনি কৰিব নোৱাৰি, কিন্তু মানুহৰ সজাগতা আৰু বিজ্ঞানৰ সঠিক ব্যৱহাৰেৰে ধ্বংসলীলা নিশ্চয় হ্ৰাস কৰিব পৰা যায়।আবেলি সময়ত যেতিয়া অংকুৰ আৰু তাৰ বন্ধুসকলে চহৰলৈ উভতি আহিবলৈ নাওখনত বহিল, তেতিয়া অংকুৰৰ মনটো এটা নতুন চিন্তাৰে ভৰি পৰিল। সি বুজি পালে যে বানপানী কেৱল এটা ঋতুভিত্তিক দুৰ্যোগ নহয়, এয়া একতা আৰু মানৱতাৰ পৰীক্ষাও। যেতিয়ালৈকে ধনীৰাম ককাইৰ দৰে মানুহৰ মনৰ বল অটুট থাকিব, প্ৰীতি বৰুৱাৰ দৰে সজাগতাৰ পোহৰ বিয়পোৱা মানুহ থাকিব আৰু সংকটৰ সময়ত আগবাঢ়ি অহা হাজাৰ হাজাৰ যুৱক থাকিব- তেতিয়ালৈকে কোনো বানপানীয়ে অসমক হৰুৱাব নোৱাৰে। লুইতৰ বুকুত সূৰ্যটো লহিওৱাৰ লগে লগে অংকুৰৰ মনত আশাৰ এক নতুন সূৰুয উদয় হ'ল- য'ত আছে প্ৰকৃতিৰ সৈতে যুঁজি জীয়াই থকাৰ এক চিৰন্তন সংকল্প।

**ম'বাইল ঃ** ৭০৮৬২-৬৪৯৩৬

প্ৰথম পৃষ্ঠাৰ পৰা

## দুই-আঢ়ৈ লাখ ভোটৰ ব্যৱধানত জিকিব

সিমান গাখীৰ আমি উৎপাদন কৰিব নোৱাৰো। সেই কাৰণে এইবাৰ আমি আৰু এখন আঁচনি লৈছো— গাঁৱে গাঁৱে মহিলাসকলক সন্মুখত ৰাখি আমি দুগ্ধ সমবায় সমিতি গঠন কৰিম। গৰু কিনিবৰ কাৰণে, গৰু পোহপাল দিবৰ কাৰণে মহিলাসকলক আৰু বেছিকৈ টকা দিম। তদুপৰি যেতিয়া গাখীৰ উৎপাদন হ'ব, বজাৰত যিমান গাখীৰৰ দাম পায়, তদুপৰি প্ৰতি লিটাৰত সাত টকা চৰকাৰৰ তৰফৰ পৰা আমি মহিলাসকলক দিয়াৰ ব্যৱস্থা কৰিম, যাতে আমাৰ অসমৰ বাবে বাহিৰৰ পৰা গাখীৰ আনিব নালাগে, আমি অসমত নিজে আমাৰ গখীৰ উৎপাদন কৰিব পাৰো।' ড° হিমন্ত বিশ্ব শৰ্মাই আৰু কয় - 'জাগীৰোডত ছেমিকণ্ডাক্টৰ হৈ আছে। এইবাৰ মৰিগাঁও আৰু জাগীৰোড মিলি অহা পাঁচ বছৰত আৰু কমেও তিনিটা ডাঙৰ ইণ্ডাষ্ট্ৰি আমি ইয়ালৈ আনিব লাগিব, যাতে আমাৰ ল'ৰা-ছোৱালীয়ে ইয়াতে কৰ্মসংস্থাপন পাব পাৰে।'

## কৃষকৰ সমৃদ্ধি আৰু কৃষি ক্ষেত্ৰৰ

কুমাৰ ভট্টাচাৰ্যই। সভাখনত কৃষকসকলৰ বিভিন্ন সমস্যা, সম্ভাৱনা আৰু কৃষি ক্ষেত্ৰৰ উন্নয়নৰ বিষয়ে মতামত বিনিময় কৰাৰ লগতে চৰকাৰৰ বিভিন্ন কৃষককল্যাণমূলক আঁচনি আৰু সুবিধাসমূহৰ বিষয়ে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে কৃষক নেতা ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই। কৃষকৰ সমৃদ্ধি আৰু কৃষি ক্ষেত্ৰৰ বিকাশৰ বাবেই এনে মত-বিনিময় আৰু সজাগতামূলক কাৰ্যসূচীৰ গুৰুত্ব অপৰিসীম বুলি কয় ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই।

## সংকল্প অভিযানৰ সৈতে সংগতি ৰাখি নমো সেৱা গাঁথা এক অন্তহীন কাহিনী

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত সেৱা সংকল্প অভিযানৰ সৈতে সংগতি ৰাখি নমো সেৱা গাথা এক অন্তহীন কাহিনী বাটৰ নাট প্ৰদৰ্শন ভাৰতীয় জনতা পাৰ্টিৰ গুৱাহাটী মহানগৰ জিলা সমিতিৰ উদ্যোগত জালুকবাৰী সমষ্টিৰ অন্তৰ্গত বিশ্ববিদ্যালয় মণ্ডল আৰু বিমানকোঠ মণ্ডলৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত এই বাটৰ নাটখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই। জালুকবাৰী সমষ্টিত 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে ভাৰতীয় জনতা পাৰ্টিৰ মহানগৰ জিলা সমিতি আৰু কৃষক মৰ্চাৰ উদ্যোগত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নিৰ্দেশত অনুষ্ঠিত বিশ্ববিদ্যালয় মণ্ডল আৰু বিমান কোঠ মণ্ডলৰ ৪টা স্থানত 'নমো সেৱা গাথা-এক অন্তহীন কাহিনী' শীৰ্ষক বাটৰ নাট প্ৰদৰ্শন কৰি প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জনসেৱা, দেশৰ প্ৰতি সমৰ্পণ আৰু উন্নয়নৰ যাত্ৰাক নাট্যৰূপত উপস্থাপন কৰা এই বিশেষ কাৰ্যসূচীত উপস্থিত থাকি অভিভূত হৈ পৰিছোঁ বুলি কয় ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই। তেখেতে ভাষণ প্ৰসংগত জনসেৱাৰ এই অদম্য যাত্ৰাই সকলোকে নতুন ভাৰত নিৰ্মাণৰ সংকল্পৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত দিব বুলি কয়।

## ঘগ্ৰাপাৰ লাটিমাৰ অষ্টম শ্ৰেণীৰ ছাত্ৰীক ধৰ্ষণৰ অপচেষ্টা

### ই-ৰিক্সা চালকক জেল হাজোতলৈ প্ৰেৰণ



**মমতাজ আহমেদ, ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ লাটিমাত দেওবাৰে এগৰাকী অষ্টম শ্ৰেণীৰ ছাত্ৰীক ধৰ্ষণৰ অপচেষ্টা চলায় ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰজাৰিহাটী গাঁৱৰ জহুৰ আলীৰ পুত্ৰ ৰুহুল আলী (৩০)য়ে। অভিযোগ অনুসৰি ছাত্ৰীগৰাকীৰ ঘৰত অনাধিকাৰ প্ৰৱেশ কৰি ধৰ্ষণৰ অপচেষ্টা চলায় যদিও ছাত্ৰীগৰাকীয়ে সুযোগ বুজি ঘৰৰ পৰা ওলাই আহি কোনোমতে নিজকে ৰক্ষা কৰিবলৈ সক্ষম হয়। আনহাতে ছাত্ৰীগৰাকীয়ে মাকৰ আগত সমগ্ৰ ঘটনা বিৱৰি কয়। উক্ত ঘটনা সন্দৰ্ভত পৰিয়ালে ঘগ্ৰাপাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত ঘগ্ৰাপাৰ থানাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ১০৫-২০২৬ নম্বৰত 75 /329(3) ধাৰাত আৰু আৰ-ডব্লিউ ৮/১২ পকছো আইনৰ অধীনত ইতিমধ্যে গোচৰ ৰুজু কৰিছে। ইপিনে ঘটনাৰ পাছৰে পৰা পলাতক অৱস্থাত থকা অভিযুক্ত ৰুহুলক আটক কৰিবলৈ ঘগ্ৰাপাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাণা ভূঞাৰ নেতৃত্বত অভিযান চলি থকাৰ মাজতে অভিযুক্তই আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। আৰক্ষীয়ে তেওঁক নলবাৰী জেল হাজোতলৈ প্ৰেৰণ কৰে।

# গান্ধী জয়ন্তী উপলক্ষে ২ অক্টোবৰত কামৰূপ জিলা ভিত্তিত যোগ প্ৰতিযোগিতা

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ জন্মজয়ন্তী উপলক্ষে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত আৰু গান্ধী আশ্ৰম পৰিচালনা সমিতি, শুৱালকুছিৰ সহযোগত বিভিন্ন কাৰ্যসূচীৰ লগতে কামৰূপ জিলা ভিত্তিত এখন যোগ প্ৰতিযোগিতা আয়োজন কৰা হৈছে। উক্ত যোগ প্ৰতিযোগিতাখন অহা ২ অক্টোবৰত পুৱা ৬.৩০ বজাত শুৱালকুছিস্থিত গান্ধী আশ্ৰমত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখন মুকলি শাখাত অনুষ্ঠিত হ'ব আৰু কামৰূপ জিলাৰ অন্তৰ্গত সকলোৱে ইয়াত অংশগ্ৰহণ কৰিব পাৰিব। ইচ্ছুক প্ৰতিযোগীসকলক প্ৰতিযোগিতাৰ দিনা পুৱা ৬ বজাত গান্ধী আশ্ৰম, শুৱালকুছিত উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীসকলে আধাৰ কাৰ্ড লগত লৈ আহিব লাগিব। কামৰূপৰ মহকুমা ক্ৰীড়া বিষয়া পংকজ ভৰালীয়ে জিলাখনৰ সকলো আগ্ৰহী খেলুৱৈ, যোগ অনুৰাগী, যুবক-যুৱতী আৰু ক্ৰীড়াপ্ৰেমী লোকক এই মুকলি শাখাৰ যোগ প্ৰতিযোগিতাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। যোগে শাৰীৰিক সুস্থতাৰ লগতে মানসিক সুস্থতা আৰু সুস্থ জীৱনশৈলী গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে অধিক সংখ্যক লোকক এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এই যোগ প্ৰতিযোগিতাৰ জৰিয়তে জনসাধাৰণৰ মাজত যোগাভ্যাস আৰু সুস্থ জীৱনশৈলীৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ লগতে ক্ৰীড়া আৰু স্বাস্থ্যসন্মত জীৱনচৰ্যাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। গান্ধী আশ্ৰম পৰিচালনা সমিতি, শুৱালকুছিৰ সভাপতি মৃগেন কুমাৰ দাসে সকলো আগ্ৰহী প্ৰতিযোগীক নিৰ্ধাৰিত সময়ত গান্ধী আশ্ৰমত উপস্থিত থাকি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। অধিক তথ্যৰ বাবে ৬০০৭১-১৫৮৭৩ আৰু ৯১০১০-২৭৩০২ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বৰপেটা জিলাত দুৰ্গাপূজা সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্তৰ আহ্বান




**প্ৰসন্ন নাথ, বৰপেটাৰোড ঃ** বৰপেটাৰ জিলা আয়ুক্ত শ্ৰী নৱদীপ পাঠকে এক গুৰুত্বপূৰ্ণ বৈঠকত পৌৰোহিত্য কৰি আগন্তুক দুৰ্গাপূজাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। আৰক্ষী অধীক্ষক শ্ৰী সুশান্ত বিশ্ব শৰ্মাৰ উপস্থিতত অনুষ্ঠিত এই বৈঠকত পূজাৰ সময়ছোৱাত জিলাখনত আইন-শৃংখলা আৰু জনসাধাৰণৰ নিৰাপত্তা নিশ্চিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। বিভিন্ন দুৰ্গাপূজা সমিতিৰ প্ৰতিনিধিসকলক উদ্দেশ্যি জিলা আয়ুক্তগৰাকীয়ে মণ্ডপসমূহৰ পৰিচালনা সুচাৰুৰূপে কৰিবলৈ স্পষ্ট নিৰ্দেশনা দিয়ে। আয়োজক সকলক চিচিটিভি কেমেৰা স্থাপন কৰা, পৰ্যাপ্ত অগ্নিনিৰ্বাপক ব্যৱস্থা কৰা আৰু ভিৰ নিয়ন্ত্ৰণত সহায় কৰিবলৈ প্ৰয়োজনীয় স্বেচ্ছাসেৱক মোতায়েন কৰিবলৈ কোৱা হয়। তাৰ উপৰিও প্ৰশাসনে সমিতিসমূহক শব্দ প্ৰদূষণৰ সীমা মানি চলিবলৈ, মণ্ডপৰ চৌহদ পৰিষ্কাৰকৈ ৰাখিবলৈ আৰু প্ৰতিমা বিসৰ্জনৰ বাবে নিৰ্ধাৰিত পথ তথা সময় অনুসৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। ৰাজহুৱা আন্তঃগাঁথনিৰ ওপৰত আলোকপাত কৰি জিলা আয়ুক্তগৰাকীয়ে পথ দুৰ্ঘটনা আৰু যাতায়াতৰ সমস্যা ৰোধ কৰিবলৈ ৰাজহুৱা নিৰ্মাণ (পথ) বিভাগক বাকী থকা পথ মেৰামতিৰ কামসমূহ তৎকালীনভাৱে সম্পূৰ্ণ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে। তেওঁ সকলো চৰকাৰী বিভাগ আৰু পূজা সমিতিসমূহক একেলগে কাম কৰিবলৈ আহ্বান জনায় আৰু কয় যে যিকোনো অপ্ৰীতিকৰ ঘটনা ৰোধ কৰিবলৈ যৌথ প্ৰচেষ্টাই মূল চাবিকাঠি। এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্তসকল, অতিৰিক্ত আৰক্ষী অধীক্ষকসকল, চক্ৰ বিষয়াসকল, খণ্ড উন্নয়ন বিষয়াসকল, কাৰ্যবাহী বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ লগতে জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

# সমস্যাৰ মাজেদি

**■ ড° জিন্টুমনি বৰা**

যেতিয়া বয়স বাঢ়ি গৈ থাকে তেতিয়া সমস্যা বিলাক আৰু বাঢ়িয়েই গৈ থাকে। কিন্তু সমস্যা বাঢ়ি যোৱা মানে এইটো নহয় যে জীৱনটো উপভোগ কৰিব নালাগে। গতিকে জীৱনটো উপভোগ কৰিবলৈ প্ৰথম কথাটো হৈছে যে ভালে থাকিব লাগিব, সুস্থ হৈ থাকিব লাগিব, তেতিয়াহে মানুহে জীৱনটো উপভোগ কৰিব পাৰে। জীৱনৰ সমস্যাৰ অন্ত নাই। এটা যদি শেষ হয় আন এটা সমস্যাই দেখা দিয়ে।

জীৱনে ৰেইন কোটটো পিন্ধি পত্নীক স্কুলত থ'ব গ'ল। বৰষুণত তিতি যাওঁতে ভাবিলে এনেকৈ কিমান দিন তিতি যাব লাগিব - এঘাৰ বছৰ। স্বাস্থ্য ভালে থাকিলে আৰু পাঁচ বছৰ। মানে মুঠতে যোল্লটা বাৰিষা। এটা বাৰিষাত কমেও দহবাৰ কৃত্ৰিম বানপানীৰ মুখামুখি হ'ব লগা হয়। বছৰত যাঠি দিন মান বৰষুণ থাকেই। সাধাৰণ বৰষুণত অলপ তিতা আৰু কৃত্ৰিম বানপানীৰ মুখামুখি হোৱা দুয়োটা বেলেগ কথা।

'তুমি এখন গাড়ী লোৱা।' পত্নীৰ কথাত জীৱনে চিন্তা কৰিলে।

'প্ৰথমতে মই শিকিব লাগিব।'

অলপ দিন জীৱনে গাড়ী শিকিব লাগিব। গাড়ী কিনিব লাগিব। সমস্যাবোৰ এই দৰে বাঢ়ি থাকে।

তথাপি জীৱন চলি থাকে।

জীৱনৰ ব্যক্তিগত আশাক, মানে লেখক হোৱাৰ আশাক চেপি খুন্দি দিনটোৰ কৰ্ম কৰি ফুৰে। সমস্যাবোৰ যিমানেই আনক কোৱা যায় সিমানেই বেছি হৈ গৈ থাকে।

মানুহটো পৃথিৱীৰ পৰা বিদায় ল'বই। তথাপি মানুহে জীৱনটো সহজ নকৰি কিয় জটিল কৰি লয়? কিছুমান বস্তুৱে আমাৰ জীৱনৰ মান বঢ়াই দিয়ে। কম টকাত সাধাৰণ ভাৱে চলি থাকিলে সময়ত সমস্যা বৃদ্ধিহে হয়। জীৱনৰ মান উন্নত কৰিবলৈ চেষ্টা কৰা উচিত।

নানান ধৰণৰ কথা মনলৈ আহে।

সেইদিনা শুৱলৈ যোৱাৰ সময়ত জীৱনে পানী খাবলৈ মন নকৰিলে। টোপনি ধৰি আছিল।

সেইদিনা তাৰ ডিঙি শুকাই অৱস্থা বেয়া হৈছিল। ঘৈনীয়েকে পিঠিত ঢকিয়াই পানী অলপ খাবলৈ দিয়াৰ পিছতহে উশাহ-নিশাহ ল'ব পাৰিছিল।

জীৱনত বেছি ভাবি লাভ নাই। টকা খৰচ নকৰিলে সাহিত্য সৃষ্টি নহয়। টকা উপাৰ্জন কৰি নিজৰ ভালপোৱা কামত খৰচ কৰিবলৈ টান পালে বৌদ্ধিক আৰু মানসিক বিকাশ নহয়। কিতাপ কিনি পঢ়িবলৈ সময় নোপোৱা আজিৰ দিনতো জীৱনে কিতাপ কিনি আনে।

জীৱনে থিৰাং কৰিলে যে তাৰ সাহিত্য সংস্কৃতিৰ বিকাশৰ বাবে সি নিজৰ উপাৰ্জনৰ টকা খৰচ কৰিব। সময়ৰ লগে লগে সমস্যাবোৰ সমাধান হ'ব। কিন্তু সাহিত্য সংস্কৃতিৰ বিকাশৰ বাবে সি নিজৰ উপাৰ্জনৰ টকা খৰচ নকৰিলে নহ'ব। কিবা পাবৰ বাবে কিবা হেৰুৱাব লাগিব। এখন আলোচনী সি কিনিব। ভাল পোৱা কিতাপ কিনিব।

# চুটিগল্পৰ পৃথিৱী, অসমৰ উদ্যোগত চুটিগল্পৰ লেখন কৰ্মশালা

## লেখন কৰ্মশালাত মানপত্ৰ প্ৰদান অনুষ্ঠানত মৃণালিনী দেৱী

**ৰমেন ভৰালী, বংশৰ ঃ** কেইটামান পৃষ্ঠা বা কেইটামান শব্দৰ মাজেৰেই এজন লেখকে এটা সম্পূৰ্ণ জীৱন, এটা অনুভূতি, এটা সংঘাত অথবা সমাজ এখনৰ গুৰুত্বপূৰ্ণ ছবি পাঠকৰ সন্মুখত দাঙি ধৰিব পাৰে একোটা চুটিগল্পৰ জৰিয়তে। এই ভাষ্য সাহিত্য অকাডেমি বঁটা বিজয়ী জয়ন্ত মাধৱ বৰাৰ। যোৱা ২৭ চেপ্তেম্বৰত চুটিগল্পৰ পৃথিৱী, অসমৰ উদ্যোগত আৰু কামৰূপ মহানগৰ জিলা সমিতিৰ সহযোগত অসম সাহিত্য সভাৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ 'ৰাধা গোবিন্দ বৰুৱা সদন'ত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত চুটিগল্পৰ লেখন কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিশিষ্ট সাহিত্যিক, গল্পকাৰ তথা সাহিত্য অকাডেমি বঁটাপ্ৰাপক জয়ন্ত মাধৱৰ বৰাই আৰু ভাষণ প্ৰসংগত কয় যে এটা ভাল চুটিগল্পৰ বাবে কেৱল কাহিনীয়েই নহয়, প্ৰয়োজন হয় উপযুক্ত বিষয়বস্তু, চৰিত্ৰ নিৰ্মাণ, পৰিৱেশ, সংলাপ, ভাষাৰ সৌন্দৰ্যতা আৰু আটাইতকৈ ডাঙৰ কথাটো হ'ল-লেখকৰ নিজস্ব দৃষ্টিভংগী। চুটিগল্পত প্ৰতিটো শব্দৰ মূল্য গুৰুত্বপূৰ্ণ। অতিৰিক্ত বৰ্ণনাই কেতিয়াবা গল্পৰ মান অৱনমিত কৰে। আনহাতে সঠিক শব্দৰ নিৰ্বাচনে এটা সাধাৰণ ঘটনাকো অসাধাৰণ কৰি তুলিব পাৰে। এজন গল্পকাৰে চৌপাশৰ জীৱনক গভীৰভাৱে লক্ষ্য কৰিব লাগে। আমাৰ চুবুৰীয়া মানুহ, বিদ্যালয়, বজাৰ, গাঁও-চহৰ, পথ, নদ-নদী, হাঁহি-কান্দোন, আশা-নিৰাশা এই সকলোবোৰেই গল্পৰ উপাদান হ'ব পাৰে। অৰ্থাৎ গল্প বিচাৰি সদায় দূৰলৈ যাব নালাগে। আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে লুকাই থাকে অসংখ্য গল্প। চুটিগল্প লিখিবলৈ অধ্যয়নৰ লগতে নিয়মীয়া অনুশীলনো অতি প্ৰয়োজনীয়। ভাল সাহিত্য পঢ়িব লাগিব, বিভিন্ন লেখকৰ লিখনশৈলী লক্ষ্য কৰিব লাগিব আৰু নিজৰ লেখাক বাৰে বাৰে সংশোধন কৰিব লাগিব। সংশোধনেই লেখাকক অধিক পৰিপক্ক কৰি তুলিব বুলি কয়। চুটিগল্পৰ পৃথিৱী, অসমৰ সভাপতি ৰমেন ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত আৰু চুটিগল্পৰ পৃথিৱী অসমৰ উপসভাপতি তথা সংকলন সম্পাদিকা পূৰৱী বৰুৱা ফুকনে আঁত ধৰা লেখন কৰ্মশালাখনি আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰে বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড° দয়ানন্দ পাঠকে।



তেখেতে উদ্বোধনী ভাষণত কয় যে এই চুটিগল্প লিখাৰ কৌশল সম্পৰ্কে আমি সকলোৱে পৰ্যালোচনা কৰি চুটিগল্পৰ লেখন সম্পৰ্কে কিছুপৰিমাণে হ'লেও আয়ত্ত কৰিব পাৰিলো বুলি ক'ব পাৰোঁ। বহু নজনা কথা জানিবলৈ সক্ষম হ'লোঁ। তাৰ বাবে আমাৰ মাজত সমল ব্যক্তি হিচাপে থকা বিশিষ্ট সাহিত্যিক, গল্পকাৰ, সাহিত্য অকাডেমি বঁটা বিজয়ী শ্ৰদ্ধাৰ জয়ন্ত মাধৱ বৰাক ধন্যবাদ জনায় তেখেতে ইংৰাজী শাস্ত্ৰৰ কথা, অংকীয়া নাট আৰু সত্ৰীয়া নৃত্যৰ ওপৰত অধিক গৱেষণা হ'ব লাগে বুলি কয়। তেখেতে ভাষণ প্ৰসংগত অংকীয়া নাট আৰু সত্ৰীয়া নৃত্য নহৈ শংকৰদেৱৰ সৃষ্টি ৰাজিৰ ওপৰত বক্তব্য আগবঢ়ায়। চুটিগল্পৰ কৰ্মশালাত মানপত্ৰ প্ৰদান অনুষ্ঠানৰ শুভাৰম্ভণি কৰি বিশিষ্টা সু-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱীয়ে ভাষণ প্ৰসংগত কয় যে চুটিগল্পৰ এনে কৰ্মশালাই আমাৰ মাজৰ পৰা ভৱিষ্যতে একো একোজন নিপুণ গল্পকাৰৰ জন্ম দিব বুলি আমি আশা কৰিব পাৰোঁ বুলি কৈ ভাৰতৰ শ্ৰেষ্ঠ কবি, উপমা সম্ৰাট মহাকবি কালিদাসে কেনেদৰে এগৰাকী সাধাৰণ নিৰক্ষৰ ব্যক্তিৰ পৰা মহাকবিলৈ ৰূপান্তৰিত হ'ল সেই বিষয়ে কোৱাৰ লগতে তেওঁৰ 'অভিজ্ঞান শকুন্তলম', 'মেঘদূতম', 'ৰঘুবংশম', 'কুমাৰসম্ভৱম' আদি কাব্য পৃথিৱী বিখ্যাত বুলি কয়। কিন্তু এই মহান কবিজন আৰম্ভণিতে একেবাৰে নিৰক্ষৰ, মূৰ্খ আছিল বুলি কৈ কিংবদন্তি মতে, কালিদাসৰ কাহিনীৰ মাজেৰে সকলোকে আপ্লুত কৰে। তেখেতে ভাষণ প্ৰসংগত আত্মাবোধৰ পৰা বিশ্ববোধলৈ কেনেদৰে প্ৰভাৱিত হ'ব পাৰি তাৰো বিস্তৃত ব্যাখ্যা আগবঢ়ায়।

### হিৰণ্য নাৰায়ণ বৰা স্মাৰক ন্যাসৰ ঘোষণা

# লেখক ভাস্কৰ বৰদলৈ লৈ ২০২৬ বৰ্ষৰ স্মাৰক বঁটা

**ৰহা ঃ** নগাঁও জিলাৰ ৰহাৰ বাবে আন এক গৌৰৱৰ খবৰ। অসমীয়া প্ৰত্নলিপিৰ গৱেষক, বিশিষ্ট লেখক তথা ৰহাৰ কৃতি সন্তান ভাস্কৰ বৰদলৈলৈ এই বৰ্ষৰ শিক্ষাবিদ হিৰণ্য নাৰায়ণ বৰা স্মাৰক বঁটা-২০২৬ আগবঢ়োৱা হ'ব। ৰহাৰ স্বপ্নদ্ৰষ্টা, বিশিষ্ট শিক্ষাবিদ তথা সমাজ সংগঠক প্ৰয়াত হিৰণ্য নাৰায়ণ বৰা দেৱৰ মহান স্মৃতি আৰু আদৰ্শক জীয়াই ৰখাৰ উদ্দেশ্যে ২০২৩ চনত গঠন কৰা হৈছিল হিৰণ্য নাৰায়ণ বৰা স্মাৰক ন্যাস। এই ন্যাসে প্ৰতিবছৰে ৰহা অঞ্চলৰ সাহিত্য, সমাজ, সংস্কৃতি, শিক্ষা আদি বিভিন্ন ক্ষেত্ৰলৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা এজন বিশিষ্ট ব্যক্তিক এই সন্মানীয় বঁটাৰে সন্মানিত কৰি আহিছে। ন্যাসৰ তৰফৰ পৰা ২০২৩ চনত প্ৰথম বৰ্ষত জনপ্ৰিয় সংগীত শিল্পী কমল কটকীক, ২০২৪ চনত বিশিষ্ট চিকিৎসক ডাঃ শশাংক বৰবৰাক আৰু ২০২৫ চনত ৰহাৰ জ্যেষ্ঠ সাংবাদিক দীপক কুমাৰ শৰ্মাক এই বঁটাৰে সন্মানিত কৰা হৈছিল। এই ধাৰাবাহিকতাৰে এইবাৰ চতুৰ্থ বৰ্ষৰ বাবে লেখক ভাস্কৰ বৰদলৈক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। উল্লেখ্য যে, ভাস্কৰ বৰদলৈ অসমৰ প্ৰত্নলিপি চৰ্চাৰ ক্ষেত্ৰত এক পৰিচিত নাম। অসমীয়া পুৰণি পুথি, প্ৰত্নলিপিৰ সংৰক্ষণ আৰু গৱেষণাৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতুলনীয়। ন্যাসৰ বিষয়ববীয়াই জানিবলৈ দিয়া মতে, অহা ৪ অক্টোবৰত শিক্ষাবিদ হিৰণ্য নাৰায়ণ বৰাৰ জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি ৰহাত আয়োজন কৰা স্মাৰক বক্তৃতা আৰু বঁটা প্ৰদান অনুষ্ঠানত আনুষ্ঠানিকভাৱে ভাস্কৰ বৰদলৈক এই বঁটা প্ৰদান কৰা হ'ব।






# অসম ন্যায়িক সেৱাত উজলিল ৰহাৰ অনুৰাগ দাস ভূঞা, ৰহাত আনন্দৰ বন্যা



**নৱজ্যোতি ভূঞা, ৰহা ঃ** নগাঁও জিলাৰ ৰহাৰ বাবে গৌৰৱৰ মুহূৰ্ত। ৰহাৰ গড়মাৰীৰ মেধাৱী ছাত্ৰ অনুৰাগ দাস ভূঞাই অসম ন্যায়িক সেৱাৰ দৰে এক সন্মানীয় পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সমগ্ৰ ৰহাবাসীকে গৌৰৱান্বিত কৰিছে। ৰহাৰ গড়মাৰীৰ নিৱাসী অৱসৰপ্ৰাপ্ত জেষ্ঠ প্ৰৱন্ধক দীপক কুমাৰ দাস আৰু শিক্ষয়িত্ৰী গীতিমণি দাস ভূএঃাৰ একমাত্ৰ সুযোগ্য সন্তান অনুৰাগ দাস ভূঞাই সদ্য ঘোষিত অসম ন্যায়িক সেৱা পৰীক্ষা ২০২৫ (Assam Judicial Service Grade-III)ত উত্তীৰ্ণ হৈ ন্যায়াধীশ হোৱাৰ দিশত এক ডাঙৰ খোজ আগবঢ়াইছে। সৰুৰে পৰা অত্যন্ত মেধাৱী, শান্ত আৰু অধ্যয়নপ্ৰিয় অনুৰাগৰ এই সফলতাৰ আঁৰত আছে তেওঁৰ বছৰ বছৰ ধৰি কৰা কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু পিতৃ-মাতৃৰ ত্যাগ। পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছত তেওঁ নিজ বাসগৃহ গড়মাৰীত উপস্থিত হোৱাৰ লগে লগে সমগ্ৰ অঞ্চলত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। পৰিয়াল-বৰ্গ, আত্মীয়-স্বজনৰ লগতে ৰহাৰ বহু গণ্য-মান্য ব্যক্তিয়ে তেওঁক চাবলৈ ভিৰ কৰে। এই সফলতা উপলক্ষে পৰিয়ালৰ তৰফৰ পৰা এক আন্তৰিক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত সম্বৰ্ধনা অনুষ্ঠানত ৰহা আঞ্চলিক ছাত্ৰ সন্থা,অনুসূচিত জাতি পৰিষদ নগাঁও জিলা সমিতিৰ বিষয়ববীয়া কে ধৰি বিভিন্ন দল-সংগঠন, ৰহা অঞ্চলৰ শুভাকাংক্ষী, শিক্ষাবিদ আৰু জ্যেষ্ঠ নাগৰিকসকল উপস্থিত থাকে। অনুষ্ঠানত সন্মানীয় ব্যক্তিসকল ক্ৰমে প্ৰভাত চন্দ্ৰ ভূঞাদেৱ, মণিকা দাস, প্ৰৱীৰ ভূঞা, ক্ষিতীশ দাস, বিষ্ণু বৰা, চুবুৰীয়া শিক্ষাবিদ যতীন্দ্ৰ নাথ পাৰৈ, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতীকে আদি কৰি বহু বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকি অনুৰাগ দাস ভূএঃাক ফুলাম গামোচা, ফুলৰ থোপা আৰু মানপত্ৰৰে উষ্ম আদৰণি আৰু আন্তৰিক অভিনন্দন জনায়। তেওঁলোকে অনুৰাগৰ এই সফলতাত গভীৰ আনন্দ প্ৰকাশ কৰি ভৱিষ্যতে এজন সৎ, নিকা আৰু সুদক্ষ ন্যায়ধীশ হৈ সমাজত ন্যায় প্ৰতিষ্ঠা কৰাৰ কামনাৰে আশীৰ্বাদ দিয়ে। অনুৰাগৰ পিতৃ-মাতৃয়েও পুত্ৰৰ এই সফলতাত আৱেগিক হৈ পৰে আৰু সকলোৱে মৰম, সহযোগিতা আৰু আশীৰ্বাদৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুৰাগৰ এই সাফল্যই কেৱল পৰিয়ালটোকে নহয়, সমগ্ৰ ৰহাৰ যুৱ প্ৰজন্মকো উচ্চ শিক্ষা আৰু উচ্চ লক্ষ্যৰ প্ৰতি অনুপ্ৰাণিত কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে।






স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা